সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩১ বছৰ,৫২ সংখ্যা,১২ পুহ , ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 52 Date of Publication- 28 December 2025 Rs. 10.00/-

## আমি এখন ডাঙৰ যুঁজৰ সৈনিক, আত্মসমৰ্পণ কৰিলে জন্মভূমিৰ বিকল্প নাথাকিবঃমুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- দুদিনীয়াকৈ অনুষ্ঠিত কাৰ্যনিৰ্বাহক বৈঠকত '২৬১ নিৰ্বাচনৰ ৰণডংকা বজাই দলীয় কাৰ্যকৰ্তাক অচিনাকি লোকৰ পৰা স্বদেশ, স্বজাতিক সুৰক্ষা দিয়াৰ সংকল্পৰে সাজু হ'বলৈ আহ্বান জনাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত কাৰ্যনিৰ্বাহক বৈঠকৰ দ্বিতীয় তথা অন্তিম দিনা প্ৰায় ৯০০ প্ৰতিনিধিৰ উপস্থিতিত উদাত্ত ভাষণত নিজকে যুঁজাৰু সৈনিক হিচাপে উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাৰ ঘোষণা- এয়া সভ্যতাৰ যুঁজ। আমি এখন দীঘলীয়া যুঁজৰ সৈনিক। জাতিটোক জীয়াই ৰখাৰ বাবে আমি সকলোৱে সামগ্ৰিকভাৱে যুঁজিব লাগিব। অলপতে যদি আমি আত্মসমৰ্পণ কৰোঁ, মোৰ জনমভূমিৰ কোনো বিকল্প নাথাকিব। কৰিবলগীয়া বহু কাম আছে, আমাৰ সন্মুখত এখন বিশাল কাৰ্যসূচী আছে। আমাৰ অসমখনক আমি নৱপ্ৰজন্মৰ বাবে সুৰক্ষিত কৰিব লাগিব। আনহাতে শংকৰ-আজানক লৈ একাংশই চলোৱা প্ৰচাৰক লৈও সৰৱ হৈ মুখ্যমন্ত্ৰীয়ে কয়- অসমত শংকৰ-মাধৱ আছে। শংকৰ-আজান অসমত নাই। শংকৰদেৱ আৰু আজান ফকিৰৰ কোনো বৈঠক হোৱা নাছিল । শংকৰদেৱৰ প্ৰপন্ন শিষ্য মাধৱদেৱ আছিল। মুখ্যমন্ত্ৰী হিচাপে মই কৈছোঁ- শংকৰ-মাধৱ আছে, শংকৰ-আজান নাই। শংকৰ আৰু আজানক লগ কৰি আমাৰ যুঁজখন দুৰ্বল কৰিব নালাগে। লাচিত বৰফুকনৰ লগত বাঘ হাজৰিকাক থিয় কৰি আমাৰ যুঁজখন দুৰ্বল কৰিব নালাগে। তেওঁ পুনৰ কয়, আমি লাচিতক মোগলক পৰাজিত কৰা এজন বিশ্ববিজয়ী বীৰ হিচাপে চাব বিচাৰোঁ। বাঘ হাজৰিকা নিজৰ ঠাইত থাকক। আমাক বুজোৱা হৈছে যে মোগলক লাচিতে পৰাজিত কৰা নাছিল, বাঘ হাজৰিকাৰ বুদ্ধিতহে লাচিতে মোগলক পৰাজিত কৰিলে। ক'ৰ পৰা আহিল এইটো তথ্য। কোনখন বুৰঞ্জীৰ পৰা আহিল এইটো তথ্য। সভ্যতাৰ যুঁজত আমাক দুৰ্বল কৰিব বিচৰাসকলে এনে ধাৰণা সৃষ্টি কৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, বাংলাদেশৰ পৰা অহাসকল আমাৰ বন্ধু আৰু দুৰ্গা পূজাত একেলগে সেৱা কৰা বঙালী মানুহজন আমাৰ শত্ৰু । এই থিয়ৰীটো কেনেকুৱা ?

( দুই পৃষ্ঠাত চাওক)

## কামৰূপ মহানগৰৰ ৫ সমষ্টিৰ খচৰা ভোটাৰ তালিকা প্ৰকাশ




ৰঙিলী বাৰ্ত্তাসেৱা- অৱশেষত সকলো জল্পনা-কল্পনাৰ অৱসান ঘটাই দেশৰ নিৰ্বাচন আয়োগে শনিবাৰে প্ৰকাশ কৰে অসমৰ ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণ ২০২৬ খচৰা তালিকা। ৰাজ্যিক মুখ্য নিৰ্বাচনী বিষয়া কাৰ্যালয়ে প্ৰকাশ কৰা অনুসৰি অসমৰ ভোটাৰ তালিকাৰ পৰা নাম কটা যাব ৪ লাখ ৭৮ হাজাৰ ৯৯২ জনৰ নাম। বাসস্থান সলনি কৰা ৫, ২৩, ৬৮০ জন ভোটাৰক চিনাক্ত কৰা হৈছে। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা অনুসৰি ভোটাৰ তালিকাৰ বিশেষ সংশোধনী প্ৰক্ৰিয়াৰ জৰিয়তে ৰাজ্যৰ সৰ্বমুঠ ২, ৫২, ০২, ৭৭৫জন ভোটাৰৰ ভিতৰত 'ডি' ভোটাৰক বাদ দি মুঠ ২, ৫১, ০৯, ৭৫৪জন ভোটাৰক সামৰি লোৱা হৈছিল। ইফালে কামৰূপ মহানগৰ জিলাৰ ৫টা বিধানসভা সমষ্টি ক্ৰমে দিছপুৰ, ডিমৰীয়া, নিউম গুৱাহাটী আৰু জালুকবাৰী সমষ্টিৰ ফটোযুক্ত খচৰা ভোটাৰ তালিকাও প্ৰকাশ কৰা হয়। আয়ুক্ত সুমিত সাত্তাৱানে এই সন্দৰ্ভত এখন সংবাদ

(দহ পৃষ্ঠাত চাওক)

## লোকশিল্পী ৰত্নেশ্বৰ মৰাণক প্ৰতিমা বৰুৱা পাণ্ডে স্মাৰক বঁটা ২০২৫ প্ৰদান



ৰঙিলী বাৰ্ত্তাসেৱা- বিশিষ্ট লোকশিল্পী তথা তিনিচুকীয়াৰ কাকপথাৰ অঞ্চলৰ বৰমেচাই শিমলুগুৰিৰ লোককৃষ্টিৰ সাধক ৰত্নেশ্বৰ মৰাণলৈ চলিত বৰ্ষৰ সদৌ অসম ছাত্ৰ সন্থাৰ পদ্মশ্ৰী প্ৰতিমা বৰুৱা পাণ্ডে স্মাৰক বঁটা আগবঢ়োৱা হৈছে। চানমাৰিৰ শ্বহীদ উদ্যানত আয়োজিত এক অনুষ্ঠানত সাধকগৰাকীলৈ এই বঁটা প্ৰদান কৰা হয়। বঁটাটোৰ সৈতে এখন গামোচা, এৰী চাদৰ, এটা জেকেট, এখন শৰাই, এখন মানপত্ৰ, স্মাৰক আৰু নগদ ২৫ হাজাৰ টকা বঁটাপ্ৰাপক মৰাণলৈ আগবঢ়োৱা হয়। বঁটাটো গ্ৰহণ কৰি বিশিষ্ট লোকশিল্পী ৰত্নেশ্বৰ মৰাণে কয় যে আছুৱে এই বঁটা প্ৰদান কৰি মোৰ দায়িত্ব বৃদ্ধি কৰিলে। মৰাণ জনগোষ্ঠীৰ লগতে অসমৰ লোক-কৃষ্টিবোৰ সকলোৱে

(দহ পৃষ্ঠাত চাওক)

## ৰাজ্যিক কেবিনেটত গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰীৰ ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত শনিবাৰে দিছপুৰৰ লোকসেৱা ভৱনত ৰাজ্য চৰকাৰৰ সাপ্তাহিক কেবিনেট বৈঠক অনুষ্ঠিত হয়। কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত এই কেবিনেট বৈঠকত গ্ৰহণ কৰা হয়। বৈঠকৰ অন্তত কেবিনেটৰ সিদ্ধান্তসমূহ সংবাদমেলযোগে সদৰী কৰে মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই। মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই জানিবলৈ দিয়ে যে কেবিনেটে কামৰূপ (মহানগৰ) জিলাত মিছন বসুন্ধৰাৰ পুনৰীক্ষণ আৰু সেৱা সেতুৰ আবেদনসমূহৰ জৰিয়তে ৯০০ৰো অধিক খিলঞ্জীয়া ভূমিহীন পৰিয়াললৈ গৃহ নিৰ্মাণৰ উদ্দেশ্যে চৰকাৰী খাঁচ আৰু চিলিং উদ্বৃত্ত ভূমি নিষ্পত্তিত অনুমোদন জনায়। আনহাতে কেবিনেটে সোণাপুৰৰ আমেৰিগোগৰ ৩১ বিঘা ১ কঠা ২ লেচা ভূমি তিৰুপতি-তিৰুমালা দেৱস্থানক আবণ্টন দিবলৈ অনুমোদন জনায়। নতুন মন্দিৰটোৱে আধ্যাত্মিক আৰু সাংস্কৃতিক কাৰ্যকলাপৰ প্ৰসাৰ ঘটাই পৰ্যটনৰো আকৰ্ষণ বৃদ্ধি কৰিব তথা স্থানীয় আন্তঃগাঁথনি আৰু অৰ্থনৈতিক বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। কেবিনেটে ডিব্ৰুগড়ৰ দিনজানত ২৯২ কোটি টকাৰ বন্যপ্ৰাণী স্বাস্থ্য আৰু গৱেষণা প্ৰতিষ্ঠান নিৰ্মাণত অনুমোদন জনায়। এই আধুনিক প্ৰতিষ্ঠান বন্যপ্ৰাণীৰ ৰোগ নিৰীক্ষণ, গৱেষণা, প্ৰশিক্ষণ আৰু সংৰক্ষণৰ দিশত গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপে গঢ় লৈ উঠিব। আনহাতে

( দুই পৃষ্ঠাত চাওক)

সম্পাদকীয় শিতান... দেৱাশীষ গোস্বামী,নগাঁও

# অভিভাৱকৰ মাত-কথা আচাৰ ব্যৱহাৰ আৰু Side Effects



**দৃশ্যপট-১**- মাক- বুজিছে বৰুৱানী, আমাৰ এইডাল অধঃপাতে গ'ল। মুখৰ যি ভাষা, কালি স্কুলত ভালকৈয়ে এসেকা পাই আহিছে। জহনি যোৱাতোৱে নাক-কাণ কাটিলে। ঠিক তেনেকুৱাতে...

দেউতাক- হেৰা (খংঙত অগ্নিশৰ্মা হৈ) আমাৰ এই গৰুটো হ'বলা উঠাই নাই? তাক কি গুৰিয়াই গুৰিয়াই ওঠাব লাগিব নেকি? দেওবাৰ হ'ল বুলি ফস্তি মাৰি বিচনাত পৰি ঠাকে নেকি কে..(অশ্লীল) কাণতলীয়া চৰত টোপনি ক'ৰবাত উৰিব কুকুৰৰ। ভালে ভালে উঠিবলৈ নোকোৰা কিয়?

**দৃশ্যপট-২**- (গেটৰ বাহিৰত লগৰ) অই গৰু, যাবিনে আমাৰ লগত চৰিবলৈ নে চুক ভেকুলিতো হৈ ঘৰৰ ভিতৰতে সোমাই থাকিবি? (ঘৰৰ ভিতৰৰ পৰা) অই (অশ্লীল) আহি গ'লি মুৰ চোবাবলৈ। ৰহ (অশ্লীল) অসনযাতি বাপেৰটো ক'ত আছে, চাই লওঁ, জীনা হাৰাম কৰি দিয়ে চাল্লা, শান্তিৰে একো এটা কৰিব নোৱাৰি (অশ্লীল)

**দৃশ্যপট-৩**- গিৰিয়েক- কি যে কু ক্ষণত তোক আনিছিলো নহয় (অশ্লীল) কি যে পাপৰ ফল ভুগিছো (অশ্লীল) কোনো এটা কাম ধংত কৰিব নোৱাৰ, মাৰ- বাপেৰে কাৰ (অশ্লীল) শিকালে? মুৰ খাবলৈ বেলেগ বিচাৰি নাপালি?

ঘৈণিয়েক- ভাল হৈছে, চাই চিতি নানিলে কিয়? ৰাতিপুৱাৰ পৰা ৰাতিলৈকে কামৰ পৰা আজৰি নাপাওঁ, অকনমান জিৰাবলৈ সময় নাপাওঁ, মুখত গেলা গোন্ধ সোঁপালৈ ৰাতি ঘৰ সোমাবহি, তাৰ পিছতো আকৌ এই সোপা তেতেৰা- জেঙেৰা সহি সহি পাগল হৈ যাম। মৰি নাথাকো কিয়? (পৰ্দাৰ আঁৰৰ পৰা শুনি থকা মইনাকণৰ হাত ভৰি পেটত)

**দৃশ্যপট -৪**-(কলিং বেল বাজে) মাক-অ'সোনপাঁহি, কোন আহিছে যোৱাচোন চোৱাগৈ এই দুপৰীয়াখন মৰিবলৈ। যোনেই নহওঁক, মই নাই বুলি ক'বা। বেছি পেকপেকাই থাকিলে ডাক্তৰৰ ওচৰলৈ গৈছো বুলি কৈ দিবা। কোনো কাৰণতে মোক Disturb নকৰিবা, মই এঘুমটি দি লওঁ। আহিবলৈ সময় নাপালে আৰু মৰিবলৈ ধৰা ক'ৰবাৰ। (বক বক বক বক)

উপৰোক্ত দৃশ্যপট সমূহে আমাক বহুখিনি শিক্ষাই দি যায়। কিন্তু জ্ঞানী মূৰ্খ আমিবোৰে সকলোবোৰ ignore কৰি আনৰ উদাহৰণেৰে অভিভাৱকৰ দায়িত্ব সামৰি থওঁ। নহয়নে বাৰু? বুজা হোৱাৰে পৰা, দেখি থকা, শুনি থকা সকলোবোৰ কাৰ্য্যকলাপে এটি উঠি অহা শিশুৰ মনত ক্ৰিয়া কৰে। দৈনন্দিন জীৱনত আমাৰ মুখৰ ভাষা, আমাৰ আচাৰ-ব্যৱহাৰ খিনিয়েই আমাৰ পিছৰ প্ৰজন্মই অনুকৰণ কৰে। প্ৰত্যেকটো কাৰ্য্যকলাপে চিৰ জীৱনৰ বাবে সাঁচ বহুওৱা একোটি শিশুৰ বিশেষ সময়কণত আমি অভিভাৱক সকল যদি অতি বেছি সাৱধান নহওঁ, একো একোটা প্ৰজন্ম অধঃপাতে যোৱাতো ধুৰূপ।

উপযুক্ত শিক্ষা, আচাৰ-ব্যৱহাৰ, মাত কথাৰে দেশৰ ভৱিষ্যতক সৎপথেৰে আগুৱাই নিয়াতো আমাৰেই মূল দায়িত্ব নহয়নে?

# হিউমেন পাৱাৰ ফাউণ্ডেচনৰ ৪ জ্যেষ্ঠ ক্ৰীড়া সাংবাদিকক বিপুল সম্বৰ্ধনা



ৰঙিলী বাৰ্তাসেৱা- দিছপুৰ প্ৰেছ ক্লাবত বে-চৰকাৰী সংস্থা "হিউমেন পাৱাৰ ফাউণ্ডেচন"ৰ উদ্যোগত ৪ গৰাকী ৰাজ্যৰ জ্যেষ্ঠ ক্ৰীড়া সাংবাদিকক সম্বৰ্ধনা প্ৰদান কৰা হয়। ২০১৫ চনৰ পৰা সমাজিক, সাংস্কৃতিক তথা ক্ৰীড়াৰ দিশত সামাজিক দায়বদ্ধতাৰে কাম কৰি আহিছে এই সংস্থাটোৱে। ১০ টা বসন্ত গৰকা সংস্থাটোৱে ২০২৫ বৰ্ষৰ অন্তিমভাগত আয়োজন কৰা এই অনুষ্ঠানটোত ৪ গৰাকী জ্যেষ্ঠ ক্ৰীড়া সাংবাদিক ক্ৰমে - পবিত্ৰ গগৈ, উদয় বৰগোঁহাই, পুলিন সাহা আৰু জয়ন্ত কুমাৰ দাসক সম্বৰ্ধনা জ্ঞাপন কৰে। ক্ৰীড়া সাংবাদিকতাৰ জৰিয়তে কেইবাটাও দশক জুৰি অসমৰ ক্ৰীড়া ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ প্ৰতি সন্মান জনাই এই সম্বৰ্ধনা জ্ঞাপন কৰে হিউমেন পাৱাৰ ফাউণ্ডেচনে। গামোচা, চেলেং, জাপি, প্ৰশস্তি পত্ৰৰে ৪ গৰাকী জ্যেষ্ঠ ক্ৰীড়া সাংবাদিকক আদৰিলে সংস্থাৰ বিষয়-ববীয়াই । মৰম আৰু শ্ৰদ্ধাৰে এটাকৈ গছপুলিও উপহাৰ দিলে ৪ জ্যেষ্ঠ ক্ৰীড়া সাংবাদিকক। "হিউমেন পাৱাৰ ফাউণ্ডেচন"ৰ সম্পাদিকা অঞ্জনা দাসে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটোৰ আঁত ধৰে সংস্থাৰ সাংস্কৃতিক সম্পাদক চন্দন গৌতম গোস্বামীয়ে । সম্বৰ্ধনা অনুষ্ঠানত মুখ্য অতিথি ৰূপে উপস্থিত থাকে "অভিৰুচি গোষ্ঠী"ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ তথা সক্ৰিয় ক্ৰীড়া সংগঠক বলেন্দ্ৰ মোহন চক্ৰৱৰ্তী । তদুপৰি "হিউমেন পাৱাৰ ফাউণ্ডেচন"ৰ মুখ্য উপদেষ্টা ৰাজীৱ প্ৰকাশ বৰুৱা তথা কেইবাগৰাকীও নবীন-প্ৰবীণ সাংবাদিকৰ উপস্থিতিত এই সম্বৰ্ধনা গ্ৰহণ কৰি সন্তোষ প্ৰকাশ কৰে ৪ জ্যেষ্ঠ ক্ৰীড়া সাংবাদিকে। ইফালে, জ্যেষ্ঠ ক্ৰীড়া সাংবাদিক পুলিন সাহাৰ জন্মদিন উপলক্ষে কেক কাটি ওপজাদিনৰ ওলগ জনালে সংস্থাৰ বিষয়- ( তিনিপৃষ্ঠাত চাওক)

# আমি এখন ডাঙৰ যুঁজৰ সৈনিক

আমি শংকৰ-আজানৰ দেশৰ মানুহ বুলি কৈ আমাক দুৰ্বল কৰা হৈছে। এয়া এক ষড়যন্ত্ৰৰ বাহিৰে একো নহয়। শংকৰৰ লগত আজানৰ কোনো সমন্বয় নাই। কোনোবাই ভাৱে নেকি যে বাঘ হাজৰিকাৰ দৰে কাল্পনিক চৰিত্ৰটো নাথাকিলে লাচিত বৰফুকনে মোগলক পৰাজিত কৰিব নোৱাৰিলেহেতেন। আমাৰ মূৰত কৌশলগতভাৱে সুমুৱাই দিয়া হৈছে। বাওঁপন্থীসকলে আমাৰ জাতিটোক ভিতৰৰ পৰা দুৰ্বল কৰাত অহৰহ ষড়যন্ত্ৰ কৰি আহিছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে কয়। মুখ্যমন্ত্ৰীয়ে নিজৰ উদাত্ত ভাষণত পুনৰ কয়- সভ্যতাৰ যুঁজত আমি বহুদিনলৈ যুঁজিব লাগিব। মুখ্যমন্ত্ৰী কোন হ'ব, বিধায়ক কোন হ'ব, সাংসদ কোন হ'ব এই প্ৰশ্নৰ উত্তৰে জাতিটোক জীয়াই নাথাকে। আজি জাতিটোক বিজেপিৰ দৰে আপোচবিহীন দলৰ প্ৰয়োজন আছে, যিয়ে কোনো কাৰণতে আত্মসমৰ্পণ নকৰে, শেষ দিনটোলৈ যুঁজিব বিচাৰে। তেনে অজস্ৰ লোকৰ প্ৰেৰণাৰ আমি প্ৰতীক হ'ব লাগিব। প্ৰতিজন লোকক আমি বুজাব লাগিব যে বিজেপিয়ে দলৰ স্বাৰ্থৰ ওপৰত গৈ জাতিটোক জীয়াই ৰখাৰ সংগ্ৰামত লিপ্ত হৈছে। ৫ বছৰত হৈ যোৱা কামক লৈ কোনেও আমাক প্ৰশ্ন নকৰে। কোনেও ভবা নাছিল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থানত উচ্ছেদ হ'ব আৰু সেই মাটিতেই আবিৰ্ভাৱ ক্ষেত্ৰ নিৰ্মাণ হ'ব। কোনেও কল্পনা কৰিব পৰা নাছিল লাচিতৰ সুবিশাল মূৰ্তি অসমীয়াই প্ৰত্যক্ষ কৰিব পাব, কোনেও কল্পনা কৰিব পৰা নাছিল যে অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা পাব, কোনেও কল্পনা কৰিব পৰা নাছিল যে চৰাইদেৱে বিশ্বৰ ঐতিহ্যৰ ক্ষেত্ৰ হ'ব। ৰাইজে আমাক যি দায়িত্ব দিছে তাৰ পৰা বহু আগুৱাই গৈ চৰকাৰখনে কাম কৰিছে। কিন্তু এই কাম দলৰ বাবে নহয়। আমি সকলোৱে বুজিব লাগিব যে এখন ডাঙৰ যুঁজৰ বাবে সাজু হৈছোঁ। যদি আমি আত্মসমৰ্পণ কৰোঁ জন্মভূমিৰ কোনো বিকল্প নাথাকিব। ২০২৬, ২০৩১, ২০৩৬, ২০৪১ যিমান দিনলৈ জীয়াই থাকো, আমাৰ বাবে প্ৰতিটো নিৰ্বাচন হ'ব সভ্যতাৰ যুঁজ, আমাৰ বাবে প্ৰতিটো নিৰ্বাচন জাতিটোক জীয়াই ৰখাৰ মহাসংকল্পৰ যুঁজ। ২০১৬ চনত মই কৈছিলোঁ শৰাইঘাটৰ যুঁজ। যিমান দিনলৈ অসমীয়াই যুঁজি থাকিব সিমান দিনলৈ জাতি জীয়াই থাকিব। ইয়াৰ শেষ ক'ত আছে আমি নাজানো। কাৰণ আমাৰ পূৰ্বসূৰী ৰাজনীতি কৰা লোকসকলে অসমখন কাৰোবাক গতাই দি গৈছে। দীঘলীয়া সংগ্ৰাম আৰু সভ্যতাৰ যুঁজত আমি যুঁজিয়ে থাকিব লাগিব। বাংলাদেশীমূলৰ মিঞা লোকে ক্ৰমাৎ গ্ৰহণ কৰা আগ্ৰাসন স্থিতিৰ প্ৰসংগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- ২০১১ চনৰ লোকপিয়লত হিন্দু আৰু মুছলমানৰ জনসংখ্যা বৃদ্ধিৰ হাৰৰ পাৰ্থক্য এটা চিন্তাৰ বিষয়। তিনি শতাংশ অসমীয়া মুছলমানক বাদ দিলে ২০১১ চনত বাংলাদেশৰ পৰা বিভিন্ন সময়ত প্ৰব্ৰজন কৰা মুছলমানৰ সংখ্য ৩১ শতাংশ। ২০২৭ত যেতিয়া পুনৰ লোকপিয়ল হ'ব অসমত বাংলাদেশীমূলৰ মিঞা মুছলমানৰ বৰ্ধিত সংখ্যা ৪০ শতাংশৰ আশে-পাশে হ'ব। কোনোবাই ক'ব পাৰে, তেওঁলোকো থাকিব, আমিও থাকিম। আমাৰ ধৰ্মই সকলোকে আদৰি লয়। আজি বাংলাদেশত শেহতীয়া ঘটনাই আমাক স্পষ্টভাৱে বুজাই দিছে ৰাষ্ট্ৰতকৈ তেওঁলোকৰ ধৰ্ম ডাঙৰ। যদি এজন হিন্দুক সোধা হয় তেওঁৰ বাবে আটাইতকৈ ডাঙৰ কি? তেন্তে উত্তৰ আহিব জননী জন্মভূমি। হিন্দুৰ ৰাষ্ট্ৰৰ প্ৰতি সমৰ্পণ-এয়াই আমাৰ লোক। যিদিনাই মিঞা মুছলমানৰ সংখ্যা ৫০ শতাংশ হ'ব সেইদিনাই তেওঁলোকে কংগ্ৰেছক বাদ দি গঠন কৰিব নতুন ৰাজনৈতিক দল। কংগ্ৰেছ দলক সমালোচনা কৰি তেওঁৰ ভাষণত কয়-আজি কংগ্ৰেছৰ মঞ্চৰ পৰা যেতিয়া ক'ব পাৰে, সংখ্যালঘুক ৪৮খন আসন সংৰক্ষণ লাগে, কাইলৈ সেই কংগ্ৰেছ দলে ক'ব যে অসমত মুখ্যমন্ত্ৰীও তেওঁলোকৰ সম্প্ৰদায়ৰ পৰা হ'ব লাগে। ইয়াত কোনো বাধা নাথাকিব। চাওঁতে চাওঁতে ছাদুল্লাৰ পৰা কাঢ়ি অনা অসমখন পুনৰ ছাদুল্লাৰ হাতলৈ গুচি যাব। লোকপ্ৰিয় গোপীনাথ বৰদলৈয়ে ছাদুল্লাৰ পৰা আসনখন কাঢ়ি আনিছিল আৰু আজি অসমীয়াই আকৌ এবাৰ ছাদুল্লাক আসনখন পাৰি দিম। কিন্তু আমাৰ জীৱনকালত এয়া হ'বলৈ দিয়া নহ'ব। সেইকাৰণে আমি যুঁজিব লাগিব, দৰিদ্ৰ জনগণৰ বাবে কাম কৰিম, মধ্যবিত্ত সমাজৰ বাবে কাম কৰিম, বিকাশৰ গংগাৰে অসম মাতৃৰ চৰণ ধুৱাম। ইয়াৰ পিছতো মোৰ স্বদেশ-স্বজাতিক জীয়াই ৰখাৰ বাবে যুঁজিব লাগিব। বাঁওপন্থীৰ চিন্তাধাৰাই অসমখনক দুৰ্বল কৰা বুলি অভিযোগ তুলি ভাষণত মুখ্যমন্ত্ৰীয়ে কয়- বাঁওপন্থীসকলে আমাৰ জাতিটোক দুৰ্বল কৰাৰ অহৰহ ষড়যন্ত্ৰত লিপ্ত হৈছে। তেওঁলোকে নেপালৰ বিপ্লৱৰ কথা কয়। কিন্তু নেপালৰ বিপ্লৱৰ পাছত কি হ'ল সেয়া প্ৰকাশ কৰক। তেনে বিপ্লৱ, বিপ্লৱ নহয়। যি বিপ্লৱৰ সমাপ্তি জনসাধাৰণৰ কল্যাণৰ বাবে নহয়, তেনে বিপ্লৱৰ প্ৰয়োজন নাই। বাংলাদেশত যি বিপ্লৱ চলিছে সেই বিপ্লৱে বাংলাদেশক মহাশক্তিত পৰিণত কৰিছে নেকি? বিপ্লৱৰ পিছৰ বাংলাদেশৰ কথা বাঁওপন্থীসকলে কিন্তু নকয়। উল্লেখ্য যে কাৰ্যনিৰ্বাহক সভাত আজি অন্তিম দিনা ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া, বিজেপিৰ প্ৰভাৱী হৰিশ দ্বিবেদী, ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক ৰবীন্দ্ৰ ৰাজু, ৰাজ্যিক তত্ত্বাৱধায়ক বৈজয়ন্ত জয় পাণ্ডায়ো ভাষণ দিয়ে।

# ৰাজ্যিক কেবিনেটত

কেবিনেটে অসম ভৱনৰ মুম্বাইত কৰ্মৰত ৮ কৰ্মচাৰীক ফিক্সড পে' দিয়াৰ সিদ্ধান্তগ্ৰহণ কৰে। কেবিনেটে সন্ত্ৰাসবাদীৰ আক্ৰমণত স্বামী নিহত হোৱা আৰু বৰ্তমান যোগাযোগ বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা স্মৃতি আভা লোহিয়াৰ পদোন্নতিত অনুমোদন জনাই তেওঁক জ্যেষ্ঠ যোগাযোগ বিষয়ালৈ পদোন্নতি দিয়া হয়। কেবিনেটে কাৰ্বি আংলং, পশ্চিম কাৰ্বি আংলং, ডিমা হাছাও আৰু তিনিচুকীয়া জিলাৰ পথ উন্নয়ন প্ৰকল্পৰ বাবে ১১৫.১১ কোটি টকাৰ নবাৰ্ডৰ ঋণত অনুমোদন জনায়। কেবিনেটে অসম আৰক্ষীৰ হেণ্ডবুক সংশোধনীতো অনুমোদন জনায়।



# পূৰ্বে অসমলৈ অবৈধ বিদেশী অহাটো সহজ আছিল, এতিয়া অসম্ভৱঃ নীতিন নবীন



ৰঙিলী বাৰ্ত্তাসেৱা- কংগ্ৰেছ চৰকাৰৰ দিনত অসমলৈ সন্দেহযুক্ত বাংলাদেশী তথা অবৈধ বিদেশী অহাটো তেনেই সহজ ঘটনা আছিল। কিন্তু এতিয়া সেয়া সম্ভৱ নহয়।মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে গ্ৰহণ কৰা কঠোৰ পদক্ষেপে ৰোধ কৰিছে অনুপ্ৰৱেশকাৰীক। এই মন্তব্য বিজেপিৰ ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতি নীতিন নবীনৰ। শুকুৰবাৰৰ পৰা দুদিনীয়াকৈ গুৱাহাটী মহানগৰীৰ শ্ৰীমন্ত শংকৰদেৱৰ আন্তঃজাতিক প্ৰেক্ষাগৃহত অনুষ্ঠিত ৰাজ্যিক কাৰ্যনিৰ্বাহক সভাৰ উদ্বোধনী সত্ৰত কাৰ্যকৰ্তাসকলৰ সন্মুখত বক্তব্য ৰাখি এই মন্তব্য বিজেপিৰ ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতি নীতিন নবীনৰ। দলৰ শীৰ্ষ দায়িত্ব গ্ৰহণ কৰাৰ পিছতে ৰাজ্যিক কাৰ্যনিৰ্বাহক সভাত অংশগ্ৰহণৰ উদ্দেশ্যে অসমলৈ অহা বিজেপিৰ অন্যতম সাংগঠনিক কাণ্ডাৰীজনে বৈঠকত ভাষণ প্ৰদান কৰি কয়- মই তেনে এক পৰিৱেশ দেখিছোঁ অবৈধ অনুপ্ৰৱেশকাৰীক ভোটবেংক হিচাপে ব্যৱহাৰ কৰি অসমলৈ অবাধ গতিত আহিবলৈ সুবিধা কৰি দিয়া হৈছিল। আমাৰ ভূমিৰ (দহ পৃষ্ঠাত চাওক)

# কাৰ্বিভূমিক লৈ মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত ত্ৰিপাক্ষিক বৈঠক



ৰঙিলী বাৰ্ত্তাসেৱা- পশ্চিম কাৰ্বি আংলঙৰ অগ্নিগৰ্ভা পৰিস্থিতিৰ পাছত শুকুৰবাৰে দিছপুৰৰ জনতা ভৱনত সম্পন্ন হয় ত্ৰিপাক্ষিক বৈঠক । কাৰ্বি জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰা বিভিন্ন সংগঠনৰ প্ৰতিনিধি তথা কাৰ্বি নাগৰিক সমাজ আৰু কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ বিষয়ববীয়াসকলৰ সৈতে মুখ্যমন্ত্ৰীৰ ড° শৰ্মা এক সৌহাৰ্দ্যপূৰ্ণ ত্ৰিপাক্ষিক বৈঠকত মিলিত হয়। বৈঠকত পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণি অঞ্চলত শেহতীয়াকৈ সংঘটিত ঘটনাকে ধৰি বিভিন্ন বিষয় সন্দৰ্ভত পুংখানুপুংখভাৱে আলোচনা কৰা হয়। আলোচনাত কেইবাটাও বিষয়ত ঐক্যমতত উপনীত হৈ বহুকেইটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকৰ অন্তত সংবাদ মাধ্যমৰ সন্মুখত এই সিদ্ধান্তসমূহৰ বিষয়ে অৱগত কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ভিজিআৰ আৰু পিজিআৰ ভূমিৰ সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ (দহ পৃষ্ঠাত চাওক)

# যোৰহাটৰ আইশী প্ৰিশা বৰাক ৰাষ্ট্ৰীয় শিশু পুৰস্কাৰ প্ৰদান ৰাষ্ট্ৰপতি মুৰ্মৰ



ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ যোৰহাটৰ ১৪ বছৰীয়া উদ্ভাৱক ছাত্ৰী আইশী প্ৰিশা বৰা আৰু মিজোৰামৰ লুংলেইৰ ৯ বছৰীয়া সংগীত শিল্পী এষ্টাৰ লালদুহমী নামটেক ক্ৰমে বিজ্ঞান-প্ৰযুক্তি আৰু কলা-সংস্কৃতিৰ ক্ষেত্ৰত অসাধাৰণ প্ৰতিভা, নিষ্ঠা তথা অনবদ্য অৱদান আগবঢ়োৱাৰ বাবে ৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি প্ৰদান কৰা হয়। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে এই দুগৰাকী যুৱ প্ৰতিভাক প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় শিশু পুৰস্কাৰ প্ৰদান কৰে। আইশী প্ৰিশা বৰাই প্ৰাকৃতিক কৃষি পদ্ধতি, বাতৰিকাকতৰ মালচিং, বাতৰিকাকতৰ আৱৰ্জনাৰে পেঞ্চিল প্ৰস্তুত কৰিব পৰা মেচিনৰ বিকাশৰ বিষয়ত গুৰুত্ব আৰোপ কৰি বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত উল্লেখযোগ্য উদ্ভাৱন প্ৰদৰ্শন কৰিছিল। তেওঁ আঞ্চলিক পৰ্যায়ৰ ৰাজ্যিক বিজ্ঞান প্ৰদৰ্শনী, নতুন দিল্লীৰ ৰাষ্ট্ৰীয় শিশু বৈজ্ঞানিক প্ৰদৰ্শনী, আহমেদাবাদৰ ৰাষ্ট্ৰীয় শিশু বিজ্ঞান কংগ্ৰেছকে ধৰি কেইবাটাও সন্মানীয় মঞ্চত নিজৰ বিদ্যালয় আৰু অঞ্চলটোক প্ৰতিনিধিত্ব কৰি আহিছে। তেওঁৰ উল্লেখনীয় কৃতিত্বৰ ভিতৰত ২০২৫ চনৰ উদ্ভাৱন মহোৎসৱত ইনস্পায়াৰ মানক ৰাজ্যিক বঁটা (২০২২) আৰু দীননাথ পাণ্ডে ছিলভাৰ উদ্ভাৱক বঁটা লাভ কৰাটো অন্যতম। বহনক্ষম সমাধান আৰু বৈজ্ঞানিক (দহ পৃষ্ঠাত চাওক)

# ৰাজ্যৰ প্ৰশাসনিক ব্যৱস্থাত ব্যাপক ৰদ বদল



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্য চৰকাৰে ৰাজ্যৰ প্ৰশাসনিক ব্যৱস্থাত ব্যাপক ৰদ বদল কৰিছে। ৰাজ্য চৰকাৰে ১৪ গৰাকী জিলা আযুক্তক ৰদ-বদল কৰে। ৰাজ্য চৰকাৰৰ কৰ্মচাৰী বিভাগে প্ৰকাশ কৰা নিৰ্দেশনা অনুসৰি সম্প্ৰতি হিংসাজৰ্জৰ হৈ থকা কাৰ্বি আংলং জিলাত আইএএছ বিষয়া আৰণ্যক শইকীয়াক নতুন আযুক্ত হিচাপে দায়িত্ব অৰ্পণ কৰিছে। বৰ্তমানে জিলাখনৰ আযুক্তৰ দায়িত্বত থকা নিৰলা ফাংছ'পিক অসম চৰকাৰৰ পাৰ্বত্য অঞ্চল উন্নয়ন বিভাগৰ অতিৰিক্ত সচিব হিচাপে দায়িত্ব অৰ্পণ কৰা হৈছে। আনহাতে আন এক গুৰুত্বপূৰ্ণ সালসলনিত কামৰূপ (মহানগৰ) জিলাৰ নতুন আযুক্ত হিচাপে দায়িত্ব অৰ্পণ কৰা হৈছে তিনিচুকীয়া জিলাৰ বৰ্তমানৰ আযুক্ত স্বপ্নীল পালক। কামৰূপ (মহানগৰ) জিলাৰ বৰ্তমানৰ (নপৃষ্ঠাত চাওক)

# কামৰূপৰ পছৰীয়াত ৭৫টা ছাগলীক বিহ দি হত্যা



ৰঙিলী বাৰ্ত্তাসেৱা-কামৰূপৰ পছৰীয়াত সংঘটিত এক নিকৃষ্ট-হৃদয়বিদাৰক আৰু অমানৱীয় ঘটনাই সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। কামৰূপ জিলাৰ অন্তৰ্গত পছৰীয়াৰ দিবাকৰ কলিতা আৰু ভনিতা কলিতাই দুই-তিনি বছৰ পূৰ্বৰ পৰাই 'মা পদুমী ছাগলী ফাৰ্ম' গঢ়ি ছাগলীৰ ব্যৱসায়েৰে নতুন প্ৰজন্মক স্বাৱলম্বিতাৰ পথ দেখুৱাইছিল। ২৫০টা ছাগলীৰ ফাৰ্মখনেৰে পৰিয়ালটিৰ জীৱন- (নপৃষ্ঠাত চাওক)

# শীৰ্ষ মাওবাদী নেতা গণেশ উইকে এনকাউণ্টাৰত নিহত



ৰঙিলী বাৰ্ত্তাসেৱা- দেশক নক্সালমুক্ত কৰি তোলাৰ লক্ষ্যৰে নিৰাপত্তা বাহিনীয়ে চলাই থকা অভিযান ধাৰাবাহিকভাৱে আগবাঢ়িছে। তেনেকুৱা এক অভিযানৰ সময়ত নিৰাপত্তা বাহিনীয়ে ওড়িশাত বৃহৎ সাফল্য লাভ কৰিছে। ওড়িশাত হোৱা এক এনকাউণ্টাৰত নিহত হৈছে মাওবাদীৰ শীৰ্ষ নেতা গণেশ উইকে। বুধবাৰে নিশা গোপন সূত্ৰৰ পৰা কন্ধমলৰ বেলঘৰ থানালৈ খবৰ আহে যে জিলাখনৰ গুম্মাৰ জংঘলত এদল মাওবাদীয়ে মাৰবান্ধি আছে। বৃহস্পতিবাৰে নিচেই পুৱা আৰক্ষীয়ে অভিযান চলোৱাত জংঘলৰ ভিতৰত মাওবাদীসকলৰ সৈতে নিৰাপত্তাৰক্ষী বাহিনীৰ গুলীয়াগুলী আৰম্ভ হয়। জংঘলখনক ঘেৰি ধৰি তালাচী অভিযান চলাই থাকোঁতে মাওবাদীয়ে নিৰাপত্তাৰক্ষীক লক্ষ্য কৰি গুলী চলাবলৈ আৰম্ভ কৰে। নিৰাপত্তা বাহিনীয়েও গুলীৰেই উত্তৰ দিয়ে। আৰক্ষী সূত্ৰই সংবাদ প্ৰতিষ্ঠানক জনোৱা মতে, আৰক্ষী বাহিনীৰ সৈতে হোৱা এই সংঘৰ্ষত চাৰিজন মাওবাদীৰ মৃত্যু হয়। তাৰ ভিতৰত এজনক চিনাক্ত কৰা হৈছে। তেওঁৰ নাম গণেশ উইকে। নিহত আন তিনিজন নক্সাল সদস্যৰ ভিতৰত আছে দুগৰাকী মহিলা। আৰক্ষীৰ মতে, মাওবাদী নেতাজন গণেশ পাক্কা হনুমন্ত, ৰাজেশ তিৱাৰী, ছামৰু আৰু ৰূপা নামেৰেও পৰিচিত। উল্লেখ্য যে এই দুৰ্ধৰ্ষ মাওবাদী নেতাগৰাকীৰ বাবে ১ কোটি ১০ লাখ টকাৰ পুৰস্কাৰ ঘোষণা কৰিছিল চৰকাৰে। গণেশ উইকেৰ বয়স আছিল ৬৯ বছৰ। তেওঁ তেলেংগানাৰ নালগোণ্ডা জিলাৰ বাসিন্দা আছিল।

# হিউমেন পাৱাৰ

ৰবীয়া তথা উপস্থিত শুভাকাংখীয়ে। সম্বৰ্ধনা গ্ৰহণ কৰা ৪ জ্যেষ্ঠ ক্ৰীড়া সাংবাদিকক শুভেচ্ছা জ্ঞাপন কৰে "হিউমেন পাৱাৰ ফাউণ্ডেচন"ৰ সভাপতি বিদ্যা ইংতি-এ। "হিউমেন পাৱাৰ ফাউণ্ডেচন"ৰ এনে প্ৰচেষ্টাক প্ৰশংসা কৰিছে উপস্থিত ক্ৰীড়া অনুৰাগীয়ে। শেষত শলাগৰ শৰাই আগবঢ়ায় "হিউমেন পাৱাৰ ফাউণ্ডেচন"ৰ সদস্য তথা যুৱ ক্ৰীড়া সাংবাদিক চিন্ময় কুমাৰ দাসে। অনুষ্ঠানৰ আৰম্ভণিতে অসমৰ প্ৰথমগৰাকী সাঁতোৰৰ এন আই এছ প্ৰশিক্ষক ৰমেন দাসৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি ১ মিনিট সময় মৌন প্ৰাৰ্থনা কৰে।

# দিল্লীত ৩ জনগোষ্ঠীৰ প্ৰতিনিধিক লৈ অমিত শ্বাহৰে বৈঠক মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- নতুন দিল্লীত ৰাভা, মিচিং, তিৱা জনগোষ্ঠীক ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্তিৰ বাবে দীৰ্ঘদিন ধৰি উঠি থকা দাবী সন্দৰ্ভত এক গুৰুত্বপূৰ্ণ আলোচনা অনুষ্ঠিত হয়। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ উপস্থিতিত তিনি জনগোষ্ঠীৰ প্ৰতিনিধিৰে হোৱা এই আলোচনাত তিনিওটা জনগোষ্ঠীক সাংবিধানিক মৰ্যাদা দিয়াৰ বাবে প্ৰস্তাৱ দাখিল কৰা হয়। তিনিওটা জনগোষ্ঠীৰ সৈতে হোৱা পৃথকে পৃথকে আলোচনাৰ অন্তত গৃহমন্ত্ৰী অমিত শ্বাহে সমগ্ৰ বিষয়টো দল-সংগঠনৰে হোৱা আলোচনাৰ অন্তত সিদ্ধান্তগ্ৰহণ কৰা হ'ব বুলি আশ্বাস প্ৰদান কৰে। ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত কৰাৰ সন্দৰ্ভত চাৰি-পাঁচটা স্তৰত আলোচনা অনুষ্ঠিত হ'ব লাগিব বুলি জনাই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে অসমৰ উন্নয়নৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ দায়বদ্ধ বুলিও মত প্ৰকাশ কৰে। বৈঠকৰ অন্তত মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সংবাদ মাধ্যমৰ আগত উল্লেখ কৰে যে ৰাজ্য চৰকাৰে তিনিওটা স্বায়ত্তশাসিত পৰিষদ ক্ৰমে ৰাভা হাছং ( নপৃষ্ঠাত চাওক)

# ১০ জানুৱাৰীত এডিআৰইৰ তৃতীয়বৰ্গৰ নিযুক্তি

ৰঙিলী বাৰ্ত্তাসেৱা- অহা ১০ জানুৱাৰীত এডিআৰইৰ তৃতীয়বৰ্গৰ চাকৰিত নিযুক্তি প্ৰদান কৰা হ'ব। চাহ জনগোষ্ঠীৰ ২১৫গৰাকী প্ৰাৰ্থীক স্বাস্থ্য বিভাগত নিযুক্তি-পত্ৰ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই তথ্য সদৰী কৰে। আনহাতে ৯ জানুৱাৰীত এডিআৰইৰ চতুৰ্থবৰ্গত নিযুক্তি প্ৰদান কৰা হ'ব। ইয়াৰ পৰৱৰ্তী সময়ত আন বিভিন্ন বিভাগৰ যেনে- কৃষি, লোকনিৰ্মাণ, জলসিঞ্চন আদি বিভাগৰ বাছনি হৈ থকা প্ৰাৰ্থীসকলক একেলগে জানুৱাৰী মাহৰ ভিতৰতে নিযুক্তি-পত্ৰ প্ৰদান কৰা হ'ব। ফেব্ৰুৱাৰী মাহতে সৰ্বশিক্ষা ( নপৃষ্ঠাত চাওক)

# সাঁতোৰবিদ, সমাজ কৰ্মী ৰমেন দাসৰ বিয়োগ



ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ সাঁতোৰ জগতৰ এগৰাকী মহীৰূহ স্বৰূপ, অসম ক্ৰীড়া সাংস্কৃতিক উৎসৱৰ লৌহপুৰুষ প্ৰেমদা কান্ত শৰ্মা বঁটা প্ৰাপক গুৱাহাটী বিহু সন্মিলনীৰ প্ৰাক্তন ক্ৰীড়া সম্পাদক, অসম চুইমিং ক্লাৱ আৰু অসম জগিং ক্লাৱৰ অন্যতম প্ৰতিষ্ঠাপক, কামৰূপ মহানগৰ জিলা ন্যায়াধীশৰ দ্বাৰা মনোনীত হৈ ঐতিহাসিক শ্ৰী শ্ৰী উগ্ৰতাৰা দেৱালয় মেনেজিং সমিতিৰ সদস্য, কামৰূপ নাট্য সমিতিৰ সদস্য, বাৰোৱাৰী নামঘৰ, শ্ৰী শ্ৰী নৱগ্ৰহ দেৱালয় তথা নৱৰং ক্লাৱৰ অন্যতম প্ৰতিষ্ঠাপক আৰু ৰাষ্ট্ৰীয় আন্তৰ্জাতিক খ্যাতিসম্পন্ন কেইবাগৰাকীও সাঁতোৰবিদক সৃষ্টি কৰি ( নপৃষ্ঠাত চাওক)

# বাংলাদেশত পুনৰ গণপ্ৰহাৰত মৃত্যু আন এজন হিন্দু যুৱকৰ



ৰঙিলী বাৰ্ত্তাসেৱা- বাংলাদেশত পুনৰ হত্যাৰ বলি হ'ল আন এজন হিন্দু যুৱক। দিপু চন্দ্ৰ দাসৰ পিছত দেশখনত গণপ্ৰহাৰৰ বলি হৈ মৃত্যুক সাৱটি ল'লেআন এজন হিন্দু যুৱকে। উন্মত্ত জনতাই মৰিয়াই মৰিয়াই হত্যা কৰে যুৱকজনক। বাংলাদেশৰ যুৱ নেতা ওছমান হাদিৰ মৃত্যুৰ পিছতে চুবুৰীয়া দেশখনৰ পৰিস্থিতি উত্তপ্ত হৈ পৰাৰ সময়তে মৈমনসিং জিলাৰ দীপু চন্দ্ৰ দাস নামৰ কাৰখানাৰ শ্ৰমিক এজনক এদল উত্তেজিত লোকে মৰিয়াই মৰিয়াই হত্যা কৰি পিছত তেওঁৰ মৃতদেহটো গছত ওলোমাই জ্বলাই দিয়াৰ দৰে ঘটনাৰ প্ৰতিক্ৰিয়া মাৰ নৌযাওঁতেই বাংলাদেশৰ ঢাকা মণ্ডলৰ ৰাজবাৰী জিলাৰ পাংছা উপ-জিলাৰ অন্তৰ্গত হোছাইডাংগা পুৰণি বজাৰ এলেকাত পুনৰ এজন হিন্দু যুৱক সমূহীয়া হিংসাৰ বলি হৈ মৃত্যুক সাৱটি লয়। মৃত যুৱকজনৰ নাম অমৃত মণ্ডল ওৰফে সম্ৰাট বুলি জনা গৈছে। এই ঘটনা সন্দৰ্ভত আৰক্ষীয়ে দাবী কৰা মতে, চান্দা তোলাক লৈ ঘটনাটো সংঘটিত হয়। বুধবাৰে নিশা ৰৰ বজাত এই ঘটনাটো সংঘটিত হয়। স্থানীয় আৰক্ষীয়ে যুৱকজনক মৰিয়াই মৰিয়াই হত্যা কৰাৰ কথাটো বৃহস্পতিবাৰে নিশ্চিত কৰে । আৰক্ষীয়ে দাবী কৰা মতে, ধন দাবী আৰু বিভিন্ন অপৰাধমূলক কাৰ্যকলাপৰ সৈতে জড়িত আছিল ২৯ বছৰীয়া এই যুৱকজন। বুধবাৰে নিশাৰ সেই ঘটনাটোৰ পিছতে ছেলিম শ্বেখ নামৰ অমৃতৰ এজন সহযোগীকো ধৰি উত্তেজিত জনতাই আৰক্ষীৰ হাতত গতাই দিয়ে। যুৱকজনৰ ( নপৃষ্ঠাত চাওক)

# লক্ষ্ণৌত ৰাষ্ট্ৰীয় প্ৰেৰণা স্থল মুকলি প্ৰধানমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ ১০১ সংখ্যক জন্ম জয়ন্তী উপলক্ষে বৃহস্পতিবাৰে সমগ্ৰ ভাৰতবৰ্ষৰ বিজেপি নেতাসকলে বাজপেয়ীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লক্ষ্ণৌত প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ জীৱন আৰু আদৰ্শক সন্মান জনাবলৈ ৰাষ্ট্ৰ প্ৰেৰণা স্থল মুকলি কৰে। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীয়ে মন্তব্য কৰে যে আজি লক্ষ্ণৌৰ এই ভূমি এক নতুন প্ৰেৰণাৰ সাক্ষী হৈ ৰ'ল। প্ৰধানমন্ত্ৰীয়ে লগতে দেশ আৰু সমগ্ৰ বিশ্বৰে খ্ৰীষ্টানধৰ্মী লোকসকললৈ পবিত্ৰ বৰদিনৰ শুভেচ্ছা জ্ঞাপন কৰে। মোদীয়ে কয় যে ভাৰতততো লাখ লাখ খ্ৰীষ্টানধৰ্মী পৰিয়ালে আজি পবিত্ৰ বৰদিন পালন কৰিছে। তেওঁ জোৰ দি কয় যে এই বৰদিন পালনে প্ৰতিগৰাকী লোকৰ জীৱনলৈ কঢ়িয়াই আনিব অফুৰন্ত সুখ। এয়াই সকলোৰে সামগ্ৰিক শুভেচ্ছা। তেওঁ লগতে কয় যে ২৫ ডিচেম্বৰৰ দিনটো দেশৰ দুগৰাকী মহান ব্যক্তিৰ জয়ন্তী হিচাপে প্ৰসিদ্ধ। আজিৰ এই দিনটোতে জন্মগ্ৰহণ কৰা ভাৰতৰত্ন অটল বিহাৰী বাজপেয়ী আৰু ভাৰতৰত্ন মহামান্য মদন মোহন মালব্যই ভাৰতৰ পৰিচয় একতা আৰু গৰ্বৰ সুৰক্ষাৰ হকে নিজৰ জীৱন উছৰ্গা কৰিছিল। প্ৰধানমন্ত্ৰী মোদীয়ে লগতে আৰু কয় যে এই দুয়োগৰাকী মহান ব্যক্তিয়ে তেওঁলোকৰ বিশাল বৰঙণিৰ জৰিয়তে ৰাষ্ট্ৰ গঠনৰ ক্ষেত্ৰত এক পাহৰিব নোৱাৰা চিহ্ন ৰাখি থৈ গৈছে। তেওঁ আৰু কয় যে এই ২৫ ডিচেম্বৰৰ দিনটোতে মহাৰাজা বিজলী পাছিৰো জন্মবাৰ্ষিকী। প্ৰধানমন্ত্ৰীয়ে মহামান্য মালব্যজী, অটলজী আৰু মহাৰাজা বিজলী পাছিজীৰ ( নপৃষ্ঠাত চাওক)

# শুৱালকুছি বালক মজলীয়া বিদ্যালয়ত ৰাষ্ট্ৰীয় গণিত দিৱস উদযাপন



ৰঙিলী বাৰ্ত্তাসেৱা- বস্ত্ৰনগৰী শুৱালকুছি বিশ্ব দৰবাৰত পৰিচিত গাঁও। ধৰ্ম কৰ্মৰ মিলনভূমি গাঁওখনত শিক্ষাৰ ক্ষেত্ৰতো পিচপৰি থকা নাই। ছাত্ৰ-ছাত্ৰী সকলক গণিতৰ প্ৰতি ধাউতি বঢ়াই তুলিবলৈ শুৱালকুছি বালক মজলীয়া বিদ্যালয়ে ৰাষ্ট্ৰীয় গণিত দিৱস ২২ডিচেম্বৰ ২০২৫তাৰিখে উদযাপন কৰে। এই দিৱসৰ লগত সংগতি ৰাখি বিদ্যালয়খনৰ গণিত আৰু বিজ্ঞান সংঘৰ উদ্যোগত বিদ্যালয়খনৰ লগতে পাৰ্শ্বৱৰ্তী কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত গণিতৰ কুইজ আৰু স্পীড এণ্ড একুৰেচি গেম প্ৰতিযোগিতা অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানতে গণেশ দাস হাইস্কুলৰ গণিতৰ জ্যেষ্ঠ শিক্ষক ৰাতুল চন্দ্ৰ কলিতাই কুইজ প্ৰতিযোগিতাখন পৰিচালনা কৰাৰ লগতে প্ৰতিযোগিতাত ( নপৃষ্ঠাত চাওক)

# স্বাগতম নৱবৰ্ষ

স্বাগতা বৰুৱা গোস্বামী




শীতৰ আগমনৰ লগে লগেই বোৱাই আনে সকলোৰে মনত এক এক মিঠা অনুভৱ। শীত যেন নহয় কেৱল এটি ঋতু। ই সোঁৰৰণীৰ এক সেউজ দলিচা। ঘন কুঁৱলী জনীয়ে যেন ন-কইনাৰ সাজেৰে নিজকে ঢাকি ৰাখে আৰু তাইৰ সেই সুন্দৰ মাদকতা আমি উদযাপন কৰো। ৰ'দৰ প্ৰথম স্পৰ্শত যেন তাই মিচিকিয়া হাঁহি মাৰি ওৰণি গুচাই।তাকে চাই আমাৰ খেতিয়ক ককাই হতেও নিজৰ উদং ভঁৰাল পূৰ্ণ কৰোৱাৰ আপ্ৰাণ চেষ্টা কৰে। সৰিয়হ ফুলেও নিজকে সজাই তোলে আৰু এনে সময়তে কবি সাহিত্যিকৰ কাপেৰে নিগৰিত হয় কিছু অনুভৱৰ দলিচা। লখিমী ঘৰলৈ সোমোৱাৰ পৰা বনভোজ, ভোগালীৰ ভোজ ভাতলৈকে শীতে আমাক কি দিয়া নাই। বাৰিষাৰ বৰষুণে সৃষ্টি কৰা হাবি-জংঘল যেন শীতৰ ৰুক্ষতাই নাইকিয়া কৰে। চাৰিওফালে মুকলি।এই শীতেই আমালৈ লৈ আহে এটা নতুন উদ্যম। যাৰ নামেই হ'ল নতুন বছৰ।

পল অনুপল কৰি দিন বোৰো যায় বাগৰি। সচাঁই সৌ সিদিনা ২০২৫ চনৰ আৰম্ভণি হৈছিল হে কিন্তু ভাবিলে আচৰিত লাগে যে আমি আহি আহি পুনৰ এটা নতুন বছৰক আদৰিবলৈ সাজু হৈছোহি। সময় এইদৰেই যায় নে?? মনলৈ এটা প্ৰশ্ন আহে, আজিকালি বাৰু সময় বেছি সোনকালে যায় নেকি? নে আমি বেছি ব্যস্ত হৈ পৰিছো। কিন্তু কি কামত ইমান ব্যস্ত হৈছো?? কিন্তু দিনটোৰ শেষত দিনটোত কি কৰিলো বুলি ঘূৰি চালে দেখো একো নতুনত্ব নাই সেই একেই গতানুগতিক কৰ্ম। তেতিয়া মুখমণ্ডলত এটি হাহিঁ বিৰিঙি আহে যাৰ নাম I am Busy... but busy for nothing। যিমানেই দিনবোৰ বাগৰিছে সিমানেই যেন মধুময় অতীতবোৰ মনলৈ উভতি আহে। সেই যে বছেৰেকীয়া পৰীক্ষা শেষ কৰি আইতাহতঁৰ ঘৰলৈ যোৱা দিনবোৰ। কমনো মৰম কৰিছিল নে আইতা, ককাহঁতে। মোৰ পৰীক্ষা শেষ হ'লেই হয়, মামা নহয় মাহীয়ে গৈ যোৰহাটৰ পৰা তিতাবৰলৈ লৈ আহে। মই যাম বুলি গ্ৰন্থমেলাৰ পৰা মাহীহঁতে কিতাপ কিনি থৈ দিয়ে। এনেই ঘৰত মায়ে কিমান অনুৰোধ কৰে এখন কিতাপ পঢ়িবলে। আইতাৰ ঘৰ পোৱাৰ লগে লগে কিন্তু মোক কোনেও ক'বই নালাগে। ককাৰ লগত আগফালে চোতালত পিঠিত ৰ'দ পেলাই বহুত কিতাপ পঢ়ো। সেইকেইদিন যেন তেওঁলোক মোক লৈয়ে ব্যস্ত। কি খুৱাব, মই থাকোতেই মোলৈ চুৰেটাৰটো গুঠি হ'বগৈ নাই ইত্যাদিত বহুতো। নিজকে ৰাণীযেন অনুভৱ হয়। উফ কি যে দিন। শীতৰ দিনকেইটাত এইবোৰ কথা ভাবিলে যেন মই নষ্টালজিক হৈ পৰো।

এতিয়া সময় নতুনক আদৰাৰ। কালৰ বুকুত হেৰাই যায় সেই পুৰণা বছৰটো ৩৬৫ টা দিন। বৈ যায় মাথোন সোঁৰৰণী। তথাপিও এই নতুন নামৰ তিনিটি শব্দত এক যাদু আছে। যাক পাবৰ কাৰণে সকলোৰে থাকে এক হাবিয়াস, সুকীয়া আগ্ৰহ। ইয়াৰ প্ৰতিটো ক্ষণতে আছে এক নতুনত্ব। সকলোৱেই ভাবে যে নতুন বছৰটোত আমি বৈ যোৱা কৰ্ম খিনি আৰু উদ্যমেৰে কৰি যাম। নাথাকিব কোনো দুখ বেদনা বা অপ্ৰাপ্তি, থাকিব কেৱল সুখ, প্ৰাপ্তি আৰু আনন্দৰ এটি মিচিকিয়া হাঁহি। শেষত সকলোলৈকে ইংৰাজী নতুন বছৰৰ শুভেচ্ছা জনোৱাৰ লগতে নতুন বছৰে সকলোৰে বাবে লৈ আহক অপাৰ সুখানুভূতি। তাৰেই কামনা কৰিলোঁ।

# মহানায়ক



ৰাজশ্ৰী শৰ্মা, গোলাঘাট বনগাঁও

অৱসান হ'ল এটা যুগৰ ।
হেৰাই গ'ল এটি নক্ষত্ৰ।
লুপ্ত হ'ল এটি অসমৰ সম্পদ।
মৃত্যু হ'ল এজন মহানায়কৰ।
সকলোৰে প্ৰাণৰ শিল্পী।
মৃত্যুৰ পিছতে একত্ৰিত কৰি গ'ল
সকলো জাতি, সকলো ধৰ্ম।
যিদৰে কৈছিল, , ,
"মোৰ কোনো জাতি নাই,
মোৰ কোনো ধৰ্ম নাই
মই মানুহ মাত্ৰ মানুহ।"
পৰিচয় দি গল, , ,
পৃথিবীৰ আটাইতকৈ ধনী মানুহ ৰূপে।
বুটলিলে মাত্ৰ মানুহৰ মৰম।
ৰচিলে বিশ্ব ইতিহাস, , ,
বিশ্বৰ চতুৰ্থ সৰ্ববৃহৎ সমদলৰ।
ৰাখি গল নাম বিশ্বৰ শ্ৰেষ্ঠ
দহজন শিল্পীৰ মাজত।
গুগলেও দিলে নাম, , ,
"হামিং কিং অফ দা ওৰ্ল্দ"
চিংগাপুৰত জুবিনৰ নামাকৰণ হ'ল
"জুবিন গাৰ্গ আইলেণ্ড"
তুমি সঁচাই কাঞ্চনজংঘা
তুমি সঁচাই ৰয় ইউকেলিপটাচ
তুমি অনন্য তুমি একক,
তুমি অদ্বিতীয়
তুমি শক্তি, তুমি প্ৰেম...
"তুমি অসম"
তুমি অমৰ।।

# সফলতা ধনমণিৰ



অনামিকা (সংগীতা)কলিতা, শুৱালকুছি

বৰদিনৰ দিনা স্কুলত সভা আয়োজন কৰিছে।

: ছাত্ৰ-ছাত্ৰীসকল তোমালোকক আমাৰ স্কুলৰ এগৰাকী প্ৰাক্তন ছাত্ৰ ধনমণিৰ লগত পৰিচয় কৰাই দিব ওলাইছোঁ। তোমালোকে তেখেতৰ বিষয় জানিব পাৰিলে ভৱিষ্যতে তোমালোকৰ জীৱনৰ লক্ষ্য বিচাৰি পোৱাত সহায় হ'ব। এক আদৰ্শ সফল নাগৰিক। ধনমণি কোৱাচোন, তোমাৰ সফলতাৰ আৰৰ ব্যক্তি গৰাকী কোন ?

: তাক সোধা প্ৰশ্নৰ উত্তৰত সি কিছু সময় থমকি ৰ'ল.... !

মাইক্ৰফনটো লৈ কৈ গ'ল ধনমণিয়ে-----

সাত বছৰতে মাৰ হাতত ধৰি দেউতাৰ সৈতে মামাৰ ঘৰলৈ গুছি গৈছিলোঁ। আমাৰ খেতি বাতি, গৰু- গোহালি ঘৰসকলো বানপানীয়ে উটাই লৈ গৈছিল। তাৰ পিছত বহুত সংগ্ৰাম। কিছুদিন পথত তম্বু বনাই থাকিলোঁ। পঢ়াশুনা একো কৰিব পৰা নাই, মামাহতক ক'লে মায়ে। মামাহতে আমাক মাতি পঠিয়ালে। আমিও গুছি আহিলোঁ। দেউতাই মামাৰ ঘৰৰ পৰা পোৱা অকণমান মাটিত ঘৰ সাজি দিন হাজিৰা কৰি আমাক প্ৰতিপাদন কৰি আছিল। এনেকৈ চলি থাকোঁতে মাঘৰ মাহৰ বিহুত বজাৰত বস্তু কিনিবলৈ যাওঁতে বোমা বিস্ফোৰণত দেউতা ঢুকাল, তেতিয়াৰে পৰা মাৰ লগত খেতিত কাম কৰি পঢ়ি গৈ আছিলোঁ। ইঞ্জিনিয়াৰিং ভালদৰে উত্তীৰ্ণ হৈ গাঁও দলং বনোৱা কামতো এজন মজদুৰ হৈ সম্পূৰ্ণ কৰিলোঁ। তাৰ পিছত ই পি এছ চি পৰীক্ষাবোৰ দি গৈ থাকিলোঁ। যোৱা বছৰ ফলাফল ঘোষণা কৰিলে। এতিয়া চৰকাৰী উচ্চ পদস্থ বিষয়াৰ দায়িত্ব আছোঁ। কথাখিনি কৈ আনন্দত ধনমণিৰ চকুৰ পানী ওলাই আহিল ।

ছাত্ৰ-ছাত্ৰী সকলৰ সৈতে মাক !মোমায়েক দুগৰাকী বহি আছিল। সকলোৰে হাত চাপৰিত হলঘৰটো ৰজন জনাই গ'ল।

অণুগল্প

# বৰদিনৰ পোহৰ



আহা! আমি সকলোৰে স্বাগতম জনাওঁ হুমুনিয়াহবোৰ উৰাই দিওঁ, ৰক্ত প্ৰৱাহিত হিয়াৰ সুৰ বাজে -দুখৰ চকুলোবোৰ সামৰি থওঁ । চতুৰ্দিশে আলহী পক্ষীৰ উৎসাহৰ নাচোন, এক মহান সৰ্বোত্তম সঁহাৰি..

যমুনা দুলু বৈশ্য, শুৱালকুছি

স্বাগতম! স্বাগতম! স্বাগতম।

প্ৰেম, ভালপোৱাৰে যুগ-যুগান্তৰ চিনাকি ঠিকনাৰে মন বৰষে সুবীয়া আলোড়ণৰ জ্যোতি ।

# ইংৰাজী নৱবৰ্ষ মানেই যেন লগে ভাগে এসাঁজ খোৱা



এটি বছৰৰ অন্ত পেলাই নতুন এটি বছৰৰ আগমনে উৎসাহ আনন্দ যোগায়। এৰি অহা দিনবোৰৰ ভাল- বেয়া সময় বোৰে হৃদয়ত সাঁচি ৰখা আধৰুৱা কামবোৰ সম্পূৰ্ণ কৰাৰ যেন শক্তিশালি মানসিকতাৰে নতুন দিনবোৰক আদৰাৰ প্ৰস্তুতি চলে। হৃদয়ৰ সপোনবোৰ বাস্তবিতাৰে পৰিপূৰ্ণ কৰাৰ সংকল্প লৈ আগুৱাই যোৱাৰ মানসিকতাৰে নতুনকৈ অহা বছৰটোক আদৰাৰ প্ৰস্তুতি। পোৱা নোপোৱা আশা ভৰষা বোৰ বুকুত সামৰি লৈ অনাগত দিন বোৰত সুখী হোৱাৰ কামনাৰে এটি নতুন বছৰ আদৰাৰ হেঁপাহ ।

**নমিতা দাস, শুৱালকুছি**

ইংৰাজী নৱবৰ্ষ মানেই যেন বনভোজৰ আগমন। বছৰজোৰা পৰিশ্ৰমৰ অন্তত দেহ মনলৈ প্ৰশান্তি বিচাৰি লগে ভাগে প্ৰকৃতিৰ মাজত এসাঁজ খোৱাটো এতিয়া উৎসৱলৈ পৰিবৰ্তন হৈছে। ইংৰাজীৰ শেষৰ মাহ ডিচেম্বৰ মাহৰ পৰাই পিকনিক আৰম্ভ হৈ ফেব্ৰুৱাৰী পায় গৈ । প্ৰকৃতিৰ সেউজ পৰিবেশৰ মাজত কৰা এই বনভোজ কেতিয়াৰ পৰা আৰম্ভ হৈছিল সঠিককৈ ক'ব পৰা নাযায় কিন্তু মানৱ সমাজৰ আৰম্ভণীৰ পৰা প্ৰকৃতিৰ মাজত থাকি খোৱা লোৱা কৰা পৰম্পৰা থকা বুলি ইতিহাসত পঢ়িবলৈ পাওঁ। আধুনিক যুগৰ বনভোজ বা পিকনিক হৈছে শিক্ষা প্ৰতিষ্ঠান আৰু সংগঠিত প্ৰতিষ্ঠানৰ ৰূপত পোনতে স্কুল-কলেজৰ পৰা যোৱা শিক্ষা মুলক ভ্ৰমন বা নামঘৰ আদি দৰ্শন কৰিবলৈ ভক্তিমুলক ভ্ৰমনৰ আদিৰ পৰা আৰম্ভ হোৱা বুলি অনুমান কৰা হয় যদিও অসমীয়া সমাজ জীৱনৰ আঘোন মাহটোৰ সময় খিনি ইংৰাজী বছৰৰ শেষৰ মাহটোৰ পৰাই ন-খোৱা আৰু মহোহো উৎসৱ পালন কৰাৰ পিছত লগে ভাগে মিলি এসাঁজ খোৱাৰ পৰম্পৰা যেতিয়াৰ পৰা লুপ্ত হ'বলৈ ধৰিলে তেতিয়াৰ পৰাই লাহে লাহে পিকনিক বা বনভোজৰ প্ৰয়োজৰ বৃদ্ধি পায় আহিলে। পিকনিক মুলতে পাশ্চাত্য সংস্কৃতিৰ পৰা অহা উৎসৱ । দিনে দিনে ইয়াৰ প্ৰসাৰ আৰু প্ৰচাৰ বৃদ্ধি হ'বলৈ ধৰে।

ইংৰাজীৰ নৱবৰ্ষৰক আদৰাৰ হেঁপাহতে লগ সমনীয়াৰ লগত বা পৰিয়ালৰ সকলোৰে মিলি এসাঁজ খোৱাৰ আনন্দ উপভোগ কৰো। অতি আগ্ৰহেৰে ৰৈ থাকোঁ (বাৰপৃষ্ঠাত চাওক)

# তথ্যৰ পৰা আখ্যানলৈঃ বৈজ্ঞানিক গল্প কোৱাৰ শক্তি



**অংকুৰজ্যোতি হাতীমূৰীয়া,শিৱসাগৰ**

গল্প কোৱাটো প্ৰাগ ঐতিহাসিকৰে পৰাই মানৱীয় এক মৌলিক কাৰ্য্যকলাপ, ই জ্ঞানৰ সঞ্চাৰণ, সাংস্কৃতিক নীতি-নিয়ম প্ৰতিষ্ঠা আৰু বিশৃংখল জগতখনৰ অৰ্থ উলিয়াবলৈ কাম কৰে। সমসাময়িক যুগত পৰম্পৰাগত আখ্যানসমূহ স্থায়ী হৈ থকাৰ সময়তে আটাইতকৈ বাধ্যতা-মূলক, প্ৰভাৱশালী আৰু সুদূৰপ্ৰসাৰী কাহিনীবোৰ ক্ৰমান্বয়ে বিজ্ঞানৰ চমৎকাৰৰ দ্বাৰা হৈছে। বিজ্ঞান, তথ্যৰ শুকান তালিকা হোৱাৰ পৰা বহু দূৰত, আমাৰ যুগৰ ভৱিষ্যৎ আখ্যান হিচাপে কাম কৰে, আমাৰ পৰিচয় গঢ় দিয়ে, লগতে আমাৰ ভৱিষ্যত নিৰ্ধাৰণ কৰে আৰু মহাবিশ্বত আমাৰ স্থানৰ ব্যাখ্যা কৰে। ই লোককথা আৰু ঐশ্বৰিক আদেশৰ ঠাইত অভিজ্ঞতাভিত্তিক প্ৰমাণ আৰু পৰীক্ষাযোগ্য অনুমানৰ দ্বাৰা মানৱতাই বাস্তৱক বুজি পোৱাৰ সামগ্ৰিক কাঠামো প্ৰদান কৰে। বিজ্ঞানক কেৱল তথ্য সংগ্ৰহ বুলি চোৱাটোৱে ইয়াৰ গভীৰ সাংস্কৃতিক ভূমিকাক ভুল বুজাবুজি কৰে; মূলতঃ ই আধুনিক গল্প কোৱাৰ আটাইতকৈ কঠোৰ আৰু বুজাব পৰা ৰূপ।

পৰীক্ষাগাৰৰ পৰীক্ষাৰ পৰা আৰম্ভ কৰি ব্ৰহ্মাণ্ড বিজ্ঞান তত্বলৈকে প্ৰতিটো বৈজ্ঞানিক প্ৰচেষ্টাই সহজাতভাৱে এটা আখ্যান চাপ অনুসৰণ কৰে। ইয়াৰ আৰম্ভণিতে এটা প্ৰশ্ন বা এটা প্ৰহেলিকা এটা ৰহস্য যিটোৱে সমাধানৰ দাবী কৰে। ইয়াৰ দ্বাৰা মঞ্চ তৈয়াৰ কৰা হয়, ঠিক নিৰ্দিষ্ট কাহিনীৰ বৰ্ণনাৰ দৰেই। মানুহৰ জিনমৰ ক্ৰমবিন্যাসৰ যাত্ৰা বিবেচনা কৰক। কাৰিকৰী প্ৰত্যাহ্বানেৰে ভৰা, সামূহিক প্ৰচেষ্টাৰ প্ৰয়োজন আৰু জীৱনৰ মৌলিক পৰিকল্পনা পঢ়াৰ ইচ্ছাৰ দ্বাৰা পৰিচালিত ই আছিল এক বৃহৎ অভিযান। আকৌ অনুমানটোৱে উত্থানশীল ক্ৰিয়া হিচাপে কাম কৰে, পৰীক্ষামূলক পৰিকল্পনাটোৱেই হৈছে সেই সংঘাত য'ত প্ৰতিৰোধ (বা ব্যৰ্থ পৰীক্ষা) অতিক্ৰম কৰিব লাগিব, আৰু তাৰ ফলত হোৱা আৱিষ্কাৰটোৱেই হৈছে শিখৰ। শেষত, সমনীয়াৰ দ্বাৰা পৰ্যালোচিত প্ৰকাশ আৰু জ্ঞানৰ পৰৱৰ্তী প্ৰয়োগে সংকল্প গঠন কৰে, যিয়ে প্ৰায়ে নতুন প্ৰশ্নৰ প্ৰৱৰ্তন কৰে, যাৰ ফলত কাহিনীৰ পৰৱৰ্তী চক্ৰৰ মঞ্চ তৈয়াৰ হয়। এই গঠনটোৱে গভীৰভাৱে অনুৰণন ঘটায় কাৰণ মানুহে ক্ৰম আৰু কাৰণগততাৰ জৰিয়তে পৃথিৱীখনক বুজিবলৈ বিচলিত হয়।

আমি ক'ৰ পৰা আহিছো আৰু কেনেকৈ ক'লৈ গৈ আছো তাৰ আটাইতকৈ বিস্তৃত বিৱৰণ বিজ্ঞানে আগবঢ়ায়। প্ৰাকৃতিক বিকল্পৰ দ্বাৰা বিৱৰ্তনৰ কাহিনী কেৱল জৈৱিক ব্যৱস্থা নহয়; ই হৈছে কোটি কোটি বছৰৰ জীৱনৰ মহাকাব্য, যিয়ে আটাইতকৈ সৰল এককোষী জীৱটোক মানুহৰ চেতনাৰ সৈতে সংযোগ কৰা এক সুসংহত বংশাৱলী আগবঢ়ায়। একেদৰে বিগ বেং (আঠপৃষ্ঠাত চাওক)

# অসম-ঐতিহ্যৰ দীপশিখা



**কুণ্ডিল হাজৰিকা,যোৰহাট, টিয়ক, ভগামুখ**

ব্ৰহ্মপুত্ৰৰ গৰিমাৰে গঢ়ি উঠা দেশ,
নীল আকাশৰ আঁচলেৰেৰে দ্যুতিময় বিশেষ।
সেউজীয়া বননী, শস্যৰে ভৰা ক্ষেত,
অম্লান সৌন্দৰ্যত জ্বলিছে পুণ্যভূমি পুত্ৰস্মৃত।
ঢোল-পেঁপাৰ তালেৰে বিহুৰ উল্লাস,
ঐতিহ্যৰ বাণী এনে অনন্ত সুবাস।
কপৌফুলৰ ৰঙত প্ৰেমৰ পৰশ,
অসমীয়া হৃদয়ত সপোনৰ আভাস।
সত্ৰ-নামঘৰত উজ্বল ধৰ্মৰ দীপ,
ভ্ৰাতৃত্বৰ বাণীৰে উদ্ভাসিত চিত্ত।
শংকৰ-মাধৱৰ ধৰ্ম-সংস্কৃতি,
শান্তিৰ প্ৰতীক, মিলনৰ গাঁথি।
অহোম, মিচিং, বড়ো, কাৰ্বি
সকলো জাতি-জনগোষ্ঠী একতাৰে ধৰি।
বিচিত্ৰতাৰ মাজত একতাৰ গান,
অসমৰ মাটিতেই গঢ়ে জীৱনৰ মান।
ওঁঠত নামৰ সুৰ, হিয়াত ভক্তি,
ঐতিহ্য-সংস্কৃতি আমাৰ শাশ্বত শক্তি।
অসম-তুমি মোৰ মৰমৰ ধন,
গৌৰৱৰ দীপশিখা, চিৰজীৱন।

# নতুনত্ব



**ৰিমী হাজৰিকা, মাজুলী**

প্ৰাপ্তিৰ আশাৰে নতুনত্বৰ আৰম্ভণি,
হৰ্ষ বিষাদৰ মাজতো আশাৰ ৰেঙণি।
পোৱা নোপোৱাৰ হিচাপ ডায়েৰীত
সামৰি,
মেলিলো নতুন জীৱনৰ পাতনি।।
নতুনে সামৰিব পুৰণিৰ স্মৃতি,
নতুনে আনিব আশাৰ বাতৰি ।
পুৰণিক বিদায় দি নতুনে
গঢ়িব সংগ্ৰামৰ জীয়া কাহিনী।।
নতুনে আনিব আশাৰ সঞ্চাৰ,
পোহৰাব জনতাৰ জীৱন।
নতুন বছৰতেই সহস্ৰ জনতাৰ জীৱনত,
ফুলিব নতুন কাঞ্চন।।
ডিচেম্বৰ শেষত নতুনত্ব আহিবা,
আনিবা প্ৰাপ্তিৰ বতৰা।
পুৰণিক বিদায় দি নতুনক আদৰিছোঁ,
পূৰাবা অ-প্ৰাপ্তিৰ নিজৰা ।।



জনতাৰ চৰকাৰ | my GOV মেৰী সৰকাৰ
অসম চৰকাৰ
দক্ষতা, নিয়োগ আৰু উদ্যমিতা ৰিভাগ
মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনি
শেহতীয়াকৈ স্নাতক উত্তীৰ্ণ যুৱক-যুৱতীলৈ অসম চৰকাৰৰ উদগনি
এবছৰলৈ মাহিলি
২,৫০০
টকাকৈ সাহায্য
ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম
JANASANYOG- 3674/25/28-Dec-25
উদ্দেশ্য
চাকৰিৰ সন্ধানৰত শেহতীয়াকৈ স্নাতক উত্তীৰ্ণসকললৈ সাহায্য প্ৰদান কৰা
প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ উৎসাহিত কৰা
স্ব-নিয়োজনৰ পথ সুগম কৰা
অৰ্হতা
অসমৰ ৰাজ্য/কেন্দ্ৰীয় চৰকাৰৰ শিক্ষানুষ্ঠান অথবা ৰাজহুৱা প্ৰতিষ্ঠানৰ পৰা ২০২৫ বৰ্ষত স্নাতক উত্তীৰ্ণ যুৱক-যুৱতী (মুক্ত বিশ্ববিদ্যালয় আৰু ব্যক্তিগত প্ৰতিষ্ঠানৰ বাহিৰে)
অসমৰ স্থায়ী বাসিন্দা
হেল্পলাইন: ৮০৯৯৮৯৭২৬৬
ই-মেইল আই ডি: infochiefministersscheme@gmail.com
ৱেবছাইট: dids.assam.gov.in
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত | Connect with us @diprassam | dipr.assam.gov.in

# Dr Naba J Borah: A Neurosurgeon with a Golden Touch

*From the previous section*

**Heramba Nath**



May every step he takes be guided by wisdom, every decision by clarity, and every endeavour by the enduring desire to serve humanity, so that his legacy of healing, hope, and humility continues to shine as a beacon for years to come.

Dr Naba J Borah's story transcends the simple contours of a biography; it is far more than the tale of a neurosurgeon's achievements. It is the story of hope born in the face of adversity, of resilience that rises steadily amid challenges, and of devotion so profound that it transforms lives with each quiet act of care. His life cannot be measured merely by the accolades he has earned or the positions he holds, for its true worth is counted in the blessings of those whose suffering he has eased, in the courage he has rekindled in the hearts of the ailing, and in the hope he has restored when despair seemed overwhelming.

In an age often consumed by noise, recognition, and the clatter of public approval, Dr Borah stands as a living testament to the enduring power of silent service. His greatness is not broadcast with fanfare; it resonates quietly in the grateful smiles of patients, in the relief of anxious families, and in the whispered prayers offered for his health and wellbeing. Each life he touches becomes a story of restored faith, of renewed strength, and of humanity reaffirmed.

Yet beyond the operating theatre and the meticulous precision of his craft, there lies an even deeper dimension of Dr Borah's legacy. It is a legacy of empathy, of an unwavering commitment to place others' needs above personal ambition, and of a vision of medicine not as a profession of prestige, but as a vocation of compassion. Every surgery he undertakes, every patient he consoles, and every challenge he faces is imbued with this profound sense of purpose. Through his actions, he silently proclaims that true excellence is not measured by what the world sees, but by what the heart gives in service to others.

In this narrative of life, courage, and selfless dedication, Dr Naba J Borah's journey inspires not only aspiring medical professionals but all who witness the quiet heroism of a life dedicated to humanity. He reminds us that the most enduring impact of a life well-lived is the light it casts on others, the hope it restores, and the compassion it spreads. His story is an ode to the extraordinary strength of the human spirit when it is guided by empathy, humility, and unwavering commitment to the welfare of others.

# তথ্যৰ পৰা আখ্যানলৈঃ

তত্ত্বই বিশ্বব্ৰহ্মাণ্ডৰ নাটকীয় জন্ম আৰু ইয়াৰ চলি থকা সম্প্ৰসাৰণৰ বৰ্ণনা কৰিছে। উক্ত বৈজ্ঞানিক আখ্যানসমূহে পুৰণি, স্থানীয় সৃষ্টিৰ লোককথাসমূহৰ ঠাইত এক সাৰ্বজনীন, প্ৰমাণভিত্তিক ব্ৰহ্মাণ্ডবিজ্ঞানৰ ৰূপ লয়। তেওঁলোকে আমাক সমানে নম্ৰ আৰু অনুপ্ৰাণিত কৰা অপৰিসীম সময়মাপ আৰু অস্তিত্বৰ স্কেলৰ সন্মুখীন হ'বলৈ বাধ্য কৰে। জ্যোতিবিজ্ঞানীসকলে যেতিয়া জেমছ ৱেব মহাকাশ টেলিস্কোপৰ পৰা ছবিসমূহ অংশ ভাগ কৰে, তেতিয়া তেওঁলোকে কেৱল বৰ্ণালীবিজ্ঞানৰ তথ্যহে উপস্থাপন কৰা নাই; তেওঁলোকে তাৰকাৰাজ্য গঠনৰ প্ৰথম মুহূৰ্তবোৰ দৃশ্যগতভাৱে বৰ্ণনা কৰিছে, জনসাধাৰণক অস্তিত্বৰ অতি প্ৰাচীন মুহূৰ্তবোৰলৈ আমন্ত্ৰণ জনাইছে।

বৈজ্ঞানিক গল্প কোৱাৰ শক্তি ইয়াৰ ভৱিষ্যদ্বাণীমূলক ক্ষমতাত নিহিত হৈ আছে। এটা ভাল কাহিনীয়ে অতীতৰ কাৰ্য্যৰ ওপৰত ভিত্তি কৰি ভৱিষ্যতৰ বিষয়ে পাঠ আগবঢ়ায়। বিজ্ঞানে জলবায়ুৰ আৰ্হিৰ পূৰ্বাভাসৰ পৰা আৰম্ভ কৰি মহামাৰীৰ পথৰ আগজাননী দিয়ালৈকে মিলন আৰু ভৱিষ্যদ্বাণীৰ জৰিয়তে এই কাম আগবঢ়ায়। জলবায়ু পৰিৱৰ্তনৰ কাহিনী, হয়তো একবিংশ শতিকাৰ সংজ্ঞায়িত আখ্যান, তথ্যৰ প্ৰবাহক নিজৰ পাঠ হিচাপে ব্যৱহাৰ কৰি আগতীয়া পৰিৱেশৰ পৰিণতিৰ বিষয়ে সতৰ্ক কৰি দিয়ে, সামূহিক ব্যৱস্থা গ্ৰহণৰ আহ্বান জনায়। তদুপৰি বৈজ্ঞানিক উন্নতিয়ে অহৰহ নতুন নৈতিক দ্বিধাদ্বন্দ্বৰ সৃষ্টি কৰে, যাৰ ফলত সমাজে সেই জ্ঞানৰ দায়িত্বশীল ব্যৱহাৰৰ সন্দৰ্ভত আখ্যান বিকাশত লিপ্ত হ'বলৈ বাধ্য হয়। কৃত্ৰিম বুদ্ধিমত্তা বা জিন সম্পাদনাক কেন্দ্ৰ কৰি হোৱা আলোচনাসমূহ মৌলিকভাৱে মানৱতাৰ শেহতীয়া প্ৰকাশৰ নৈতিক পথৰ বিষয়ে যুক্তি। এই ক্ষমতা কোনে নিয়ন্ত্ৰণ কৰে? আমি নিজৰ বাবে কেনেধৰণৰ ভৱিষ্যত লিখিছো? এইবোৰ আখ্যানমূলক প্ৰশ্ন, যিবোৰ বিজ্ঞানে ক্ষিপ্ৰ কৰি তুলিছে।

বিজ্ঞানক কল্পকাহিনী বা নীতিতকৈ অধিক বুজাব পৰা গল্পকাৰ কৰি তোলা কথাটো হ'ল ইয়াৰ ভুৱা আৰু পুনৰুত্পাদনযোগ্যতাৰ প্ৰতি থকা দায়বদ্ধতা। পৰম্পৰাগত কাহিনীবোৰে গ্ৰহণযোগ্যতাৰ বাবে বিশ্বাস বা কৰ্তৃত্বৰ ওপৰত নিৰ্ভৰশীল হ'লেও বৈজ্ঞানিক কাহিনীয়ে স্বতন্ত্ৰভাৱে পৰীক্ষা কৰিব পৰা প্ৰমাণৰ দাবী কৰে। এই ভাগ-বতৰা কৰা পদ্ধতিয়ে সত্য-বিচাৰৰ এক সাৰ্বজনীন ভাষাৰ সৃষ্টি কৰে। যেতিয়া বিজ্ঞানীসকলে জনসাধাৰণক ভেকচিনৰ কাৰ্যকাৰিতা বা জনস্বাস্থ্যৰ ব্যৱস্থাৰ প্ৰয়োজনীয়তাৰ বিষয়ে বুজাই দিয়ে, তেতিয়া তেওঁলোকে আৱেগিকতাক আকৰ্ষণ কৰা নাই; তেওঁলোকে এক কঠোৰ, আত্মসংশোধনশীল আখ্যান প্ৰক্ৰিয়াৰ ফলাফল উপস্থাপন কৰিছে। পৰীক্ষাযোগ্য বাস্তৱতাৰ প্ৰতি এই দায়বদ্ধতাই বৈজ্ঞানিক গল্প কোৱাক আধুনিক সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত নীতি গঠনৰ পৰা আৰম্ভ কৰি ব্যক্তিগত স্বাস্থ্যৰ পছন্দলৈকে এক অনন্য আৰু অনস্বীকাৰ্য কৰ্তৃত্ব প্ৰদান কৰে।

সামৰণিত ক'বলৈ গ'লে, বিজ্ঞান, গতিকে, কেৱল সঁজুলি বা তথ্যৰ সংকলন নহয়; ই হৈছে প্ৰধান মাধ্যম যাৰ জৰিয়তে সমসাময়িক মানৱতাই অৰ্থ গঢ়ি তোলে, নিজৰ ইতিহাস বুজি পায় আৰু নিজৰ ভৱিষ্যতৰ পৰিকল্পনা কৰে। ই আমাৰ অপৰিহাৰ্য সাংস্কৃতিক পৌৰাণিক কাহিনী হিচাপে কাম কৰে, ইয়াক বৰ্ণনা কৰিব বিচৰা বাস্তৱৰ বিপৰীতে কঠোৰভাৱে পৰীক্ষা কৰা হয়। আমি ক্ৰমান্বয়ে জটিল হৈ অহা বিশ্বজনীন প্ৰত্যাহ্বানসমূহৰ মাজেৰে আগবাঢ়ি যোৱাৰ লগে লগে বিশ্ব, জীৱনৰ উৎপত্তি আৰু আগন্তুক সম্ভাব্য পথসমূহৰ বিষয়ে বাধ্যতামূলক, প্ৰমাণভিত্তিক আখ্যান বোৱা বিজ্ঞানৰ ক্ষমতাই আমাৰ সময়ৰ আটাইতকৈ জটিল আৰু স্থায়ী গল্প কোৱা উদ্যোগ হিচাপে ইয়াৰ স্থান নিশ্চিত কৰে।

# হাঁহি



**প্ৰভাত বণিয়া**

হাঁহিয়ে জীৱন হাঁহিত সৰে মানিকি মধুৰি
ইমূৰ সিমূৰ চলাথ কৰিলো
চম্পাৱতী তোমাক বিচাৰি জগতখন ঘূৰিলো
তোমাৰ হাঁহিত শেৱালী ফুলে
সুগন্ধত বুকু ভৰে
ফাগুন বনত ৰঙতে ৰাঙলী
বসন্তত ৰমকে জমকে
সেউজ সাজেৰে ৰূপহী যৌৱনমতী
হাঁহিত মণি-মুকতা সৰে
তুমি ৰোৱনী ভুই ৰুই থাকা
শাৰী শাৰী তোমাৰ হাতৰ সোণ
পৰশত হালেজালে শাওনৰ ৰিমঝিম পথাৰ
কুঁৱলীত ভিজা সোণালী আঘোণ
পকা সুমথিৰা ৰঙৰ আমোলমোল
তুমি দাৱনী জাকত জিলিকা
তোমাৰ ফুলাম হাঁহিত সৰে সুগন্ধি সুৱাস
মন নাচে উলাহত
সপোনে পায় প্ৰাণ।

# লক্ষ্ণৌত ৰাষ্ট্ৰীয় প্ৰেৰণা

প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁ লগতে কয় যে ডঃ শ্যামাপ্ৰসাদ মুখাৰ্জী, পণ্ডিত দীনদয়াল উপাধ্যায় আৰু অটল বিহাৰী বাজপেয়ীৰ বিশাল প্ৰতিমূৰ্তিয়ে অনুপ্ৰেৰণা যোগাই আছে। অটল বিহাৰী বাজপেয়ীৰ মন্তব্য উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে জোৰ দি কয় যে ৰাষ্ট্ৰ প্ৰেৰণা স্থলে এনে এক বাৰ্তা কঢ়িয়াই, যিয়ে প্ৰতিটো খোজ, প্ৰতিটো প্ৰয়াস, ৰাষ্ট্ৰ নিৰ্মাণৰ প্ৰতি উৎসৰ্গিত হ'বই লাগিব। ৰাষ্ট্ৰক দিশ নিৰ্দেশনা দিয়াৰ ক্ষেত্ৰত ডঃ শ্যামাপ্ৰসাদ মুখাৰ্জীৰ নিৰ্ণায়ক ভূমিকাৰ কথা সুঁৱৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে এইগৰাকীয়েই সেই ডঃ মুখাৰ্জী আছিল, যিয়ে ভাৰতত দুখন সংবিধান, দুটা প্ৰতীক আৰু দুজন প্ৰধানমন্ত্ৰী থকা ব্যৱস্থাটোক প্ৰত্যাখ্যান কৰিছিল। তেওঁ কয় যে ভাৰত স্বাধীন হোৱাৰ পিছত জম্মু আৰু কাশ্মীৰৰ যি সুকীয়া ব্যৱস্থা গঢ়ি তোলা হৈছিল, সিয়ে দেশৰ সংহতিৰ প্ৰতি গুৰুতৰ প্ৰত্যাহ্বান হৈ পৰিছিল। মোদীয়ে গৰ্বৰে কয় যে তেওঁৰ চৰকাৰখনে সংবিধানৰ অনুচ্ছেদ ৩৭০ বাতিল কৰাৰ সুযোগ লাভ কৰে আৰু আজি ভাৰতৰ সংবিধানখন জম্মু আৰু কাশ্মীৰতো সম্পূৰ্ণৰূপে বলবৎ হৈ আছে। প্ৰধানমন্ত্ৰী মোদীয়ে ৰাষ্ট্ৰ প্ৰেৰণা স্থল নিৰ্মাণৰ ক্ষেত্ৰত জড়িত সকলো শ্ৰমিক, শিল্পী, পৰিকল্পনাকাৰীৰ লগতে মুখ্যমন্ত্ৰী আৰু তেওঁৰ সহযোগীসকললৈ অভিনন্দন জ্ঞাপন কৰে। এই কাৰ্যসূচীত প্ৰধানমন্ত্ৰী মোদীৰ সৈতে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, ৰাজ্যপাল আনন্দীবেন পেটেল, মুখ্যমন্ত্ৰী যোগী আদিত্যনাথকে ধৰি অন্যান্য দলীয় শীৰ্ষ নেতাসকল উপস্থিত থাকে। এই বিস্তৃত চৌহদটোত বাজপেয়ীৰ সমান্তৰালকৈ বিজেপিৰ মতাদৰ্শবাদী শ্যামা প্ৰসাদ মুখাৰ্জী আৰু পণ্ডিত দীনদয়াল উপাধ্যায়ৰ ৬৫ ফুট উচ্চতাৰ ব্ৰঞ্জৰ মূৰ্তিও আছে। পদুম আকৃতিৰ গঠনত ডিজাইন কৰা আৰু ৯৮ হাজাৰ বৰ্গফুটত বিস্তৃত এটা অত্যাধুনিক সংগ্ৰহালয়ে দৰ্শনাৰ্থীসকলক জাতি নিৰ্মাণৰ ক্ষেত্ৰত এই নেতাসকলৰ অৱদানৰ বিষয়ে অন্বেষণ কৰিবলৈ সুবিধা প্ৰদান কৰিব।

# ১০ জানুৱাৰীত

অভিযানৰ প্ৰায় ৪ হাজাৰ শিক্ষকক চৰকাৰীকৰণ কৰা হ'ব আৰু আন কেইবাটাও বিভাগত নিযুক্তি প্ৰদান কৰা হ'ব। ইফালে ৰাজ্য চৰকাৰে অতিশীঘ্ৰে প্ৰথম আৰু দ্বিতীয়বৰ্গৰ নিযুক্তিত চাহ জনগোষ্ঠী, আদিবাসীৰ বাবে তিনি শতাংশ আসন সংৰক্ষণ মুকলি কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ কয়-জানুৱাৰী মাহৰ ভিতৰতে চৰকাৰে তৃতীয় আৰু চতুৰ্থবৰ্গৰ তিনি শতাংশ যি সংৰক্ষণৰ ব্যৱস্থা আছে, সেয়া প্ৰথম আৰু দ্বিতীয়বৰ্গলৈ উন্নীতকৰণ কৰা হ'ব। ইফালে অৰুণোদয় হিতাধিকাৰীক নতুন বৰ্ষত এক উপহাৰ প্ৰদান কৰিব বুলি জানিবলৈ দি আজি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে ১ জানুৱাৰীৰ পৰা ৰাইজে ১০০ টকাতে দাইল, চেনি আৰু নিমখ লাভ কৰিব। তদুপৰি জানুৱাৰী মাহৰ পৰাই ছাত্ৰসকলৰ অধ্যয়নৰ বাবেও নিযুত মইনা আঁচনিৰ দৰে এক আঁচনি হাতত লোৱা হ'ব।

# শুৱালকুছি বালক

বিজয়ী ছাত্ৰ/ছাত্ৰী সকলক বঁটা প্ৰদান কৰা অনুষ্ঠানত উপস্থিত থাকে। তেওঁ ভাষণ প্ৰসংগত গণিতৰ প্ৰতি ধাউতি বঢ়োৱাৰ বাবে ছাত্ৰ-ছাত্ৰীক বিভিন্ন উপদেশ আগবঢ়োৱাৰ লগতে বিখ্যাত গণিতজ্ঞ শ্ৰীনিবাশ ৰামানুজন আয়েংগাৰ কৰ্মময় জীৱনৰ কিছু তথ্য দাঙি ধৰে। ইয়াৰ উপৰি বিভিন্ন বিদ্যালয়ৰ শিক্ষক/শিক্ষয়িত্ৰীওসকলে তেওঁলোকৰ মনৰ অনুভৱ প্ৰকাশ কৰে। সভাত সভাপতিত্ব কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি গুণ মেধিয়ে আৰু সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক বিকাশ মুছাহাৰীয়ে। সভাখনৰ আঁত ধৰে সেই বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক চতিন কলিতাই।

# সাঁতোৰবিদ, সমাজ

ইতিহাস ৰচিবলৈ সক্ষম হোৱা সমাজ কৰ্মী ৰমেন দাসৰ বুধবাৰে ৰাতিপুৱা ৯.৪৫ বজাত গুৱাহাটীৰ এখন ব্যক্তিগত নাৰ্চিং হোমত পৰলোক প্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স ৭৫ বছৰ হৈছিল। বিশিষ্ট ব্যক্তিগৰাকী বিয়োগত গুৱাহাটীত শোকৰ ছাঁ পৰে। অসম ক্ৰীড়া সন্থাৰ সভাপতি, বিশিষ্ট সাঁতোৰবিদ তথা আন্তৰ্জাতিক খেলুৱৈ সংগঠক, গুৱাহাটী বিহু সন্মিলনীৰ প্ৰাক্তন সভাপতি কৈলাশ শৰ্মা আৰু কামৰূপ নাট্য সমিতি তথা নৱৰং ক্লাবৰ সভাপতি ৰাজীৱ প্ৰকাশ বৰুৱাৰ লগতে উগ্ৰতাৰা দেৱালয়ৰ পৰিচালনা সমিতিয়ে গভীৰ শোক প্ৰকাশ কৰি শোকাকুল পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেখেতে পত্নীৰ লগতে এটি পুত্ৰ আৰু এগৰাকী জীয়ৰী এৰি থৈ যায়।

# ৰাজ্যৰ প্ৰশাসনিক ব্যৱস্থাত

আয়ুক্ত সুমিত সাত্তাৱানক তিনিচুকীয়া জিলাৰ আয়ুক্ত হিচাপে দায়িত্ব অৰ্পণ কৰা হৈছে। শিৱসাগৰ জিলাৰ আয়ুক্ত আয়ুস গাৰ্গক কাছাৰলৈ বদলি কৰা হৈছে। সেইদৰে ধুবুৰীৰ জিলা আয়ুক্ত দিবাকৰ নাথক বঙাইগাঁৱৰ জিলা আয়ুক্ত হিচাপে দায়িত্ব অৰ্পণ কৰা হৈছে। কোকৰাঝাৰ জিলাৰ আয়ুক্ত তথা বড়োলেণ্ড প্ৰশাসনিক ষ্টাফ কলেজৰ সঞ্চালক মাছান্দা মেগডালিন পাৰ্টিনক অসম চৰকাৰৰ বিত্ত বিভাগৰ যুটীয়া সচিব হিচাপে দায়িত্ব অৰ্পণ কৰা হৈছে। অসম চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগৰ সচিব তথা কাৰাগাৰ সঞ্চালকালয়ৰ আইজি পূৱালী গোহাঁইক দৰং জিলাৰ জিলা আয়ুক্ত হিচাপে দায়িত্ব অৰ্পণ কৰা হৈছে। ৰাজ্য চৰকাৰৰ পৰিৱেশ আৰু বন বিভাগ আৰু হাউছিং এণ্ড আৰবান এফেয়াৰ্ছ বিভাগৰ যুটীয়া সচিব চিমি কৰণক তামুলপুৰৰ জিলা আয়ুক্ত হিচাপে বদলি কৰা হৈছে। গোলাঘাট জিলাৰ আয়ুক্ত পুলক মহন্তক কাৰাগাৰ বিভাগৰ আইজি হিচাপে বদলি কৰা হৈছে। বঙাইগাঁৱৰ জিলা আয়ুক্ত নৱদীপ পাঠকক ধুবুৰীৰ জিলা আয়ুক্ত হিচাপে দায়িত্ব দিয়া হৈছে। আনহাতে দৰঙৰ জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতিক গোলাঘাট জিলাৰ দায়িত্ব দিয়া হৈছে। তামুলপুৰৰ জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীক বড়োলেণ্ড প্ৰশাসনিক ষ্টাফ কলেজৰ সঞ্চালক পদত অধিষ্ঠিত কৰা হৈছে।

# কামৰূপৰ পছৰীয়াত ৭৫টা

জীৱিকাৰ পথ মুকলি কৰাৰ লগতে নিবনুৱা যুৱক-যুৱতীৰ কৰ্মসংস্থাপনৰ বাট মুকলি কৰিছিল। ছাগলীপালক হিচাপে বিশেষ স্বীকৃতি লাভ কৰা দিবাকৰ কলিতাই পঞ্জাব, হাৰিয়ানা আদিৰ পৰা বিভিন্ন প্ৰজাতিৰ ছাগলী আনি ব্যৱসায়টো চলাই আছিল। তেওঁ জানিবলৈ দিয়া মতে, ইয়াৰ একোটা ছাগলীৰ মূল্য এক লাখ টকাৰ পৰা এক লাখ চল্লিশ হাজাৰ টকা। ছাগলী ফাৰ্মখন জাকতজিলিকা হৈ উঠাৰ সময়তে কোনোবা দুৰ্বৃত্তই ৭৫টা ছাগলীক খাদ্যৰ লগত বিহ দি মাৰি পেলোৱা হৃদয়বিদাৰক ঘটনাই পৰিয়ালটিক হতাশাগ্ৰস্ত কৰি তুলিছে। দিবাকৰ কলিতা আৰু ভনিতা কলিতাই কয় যে ছাগলীবোৰৰ বাবে খাদ্য প্ৰস্তুত কৰি থকা সময়তে দুজন অচিনাক্ত লোক তেওঁলোকৰ ঘৰলৈ আহে। ভনিতা কলিতাই দুয়োজনকে বহিবলৈ দি তেওঁলোকৰ পৰিচয় আৰু উদ্দেশ্য জানিব বিচাৰাত তেওঁলোকে ফাৰ্মখন চাবলৈ অহা বুলি কৈ পানী খাব বিচাৰাত ঘৰৰ ভিতৰৰ পৰা পানী লৈ আহোঁতে দুয়োজনকে ছাগলীৰ বাবে প্ৰস্তুত কৰা খাদ্যৰ ওচৰত দেখা পায়। পিছত পানী খাই তামোল খাব বুলি কৈ যাব ওলোৱাত মহিলাগৰাকীয়ে নিজৰ ঘৰতে তামোল থকাৰ কথা কোৱাত তেওঁলোকে আন কিবা খাই আহি আছোঁ বুলি কৈ তাৰ পৰা আঁতৰি যায়। মহিলাগৰাকীয়ে তেওঁলোকে এই দুষ্কাৰ্য কৰাৰ সন্দেহ প্ৰকাশ কৰিছে। কিয়নো সেই খাদ্য খোৱা প্ৰতিটো ছাগলীৰ মৃত্যু ঘটিছে। পশু চিকিৎসা বিভাগৰ ৰঙ্গাৰাকী চিকিৎসক আহিও ছাগলীৰ জীৱন বচাব নোৱাৰিলে। দিবাকৰ কলিতা আৰু ভনিতা কলিতাৰ ছাগলী ফাৰ্মত অচিনাক্ত দুৰ্বৃত্তই এই কৰ্ম অতি গোপনে কৰি লাখ লাখ টকাৰ লোকচানৰ সন্মুখীন কৰোৱাৰ লগতে ঘৰখনৰ একমাত্ৰ উপাৰ্জনৰ উৎস নিমিষতে চুৰমাৰ কৰি দিলে। এই ফাৰ্মখনৰ পৰাই অসমৰ লগতে উত্তৰ-পূবৰ ভিন্ন প্ৰান্তলৈ ছাগলী যোগান ধৰি আহিছিল দুয়ো পতি-পত্নীয়ে। মানৱৰূপী দানৱৰ এনে নিকৃষ্ট কাণ্ডক সকলোৱে একে মুখে ধিক্কাৰ দিছে আৰু ইয়াৰ এক নিৰপেক্ষ তদন্তৰ দাবী কৰিছে।

# দিল্লীত ৩ জনগোষ্ঠীৰ প্ৰতিনিধিক

স্বায়ত্তশাসিত পৰিষদ, মিচিং স্বায়ত্তশাসিত পৰিষদ আৰু তিৱা স্বায়ত্তশাসিত পৰিষদ এই তিনিওখনকে সাংবিধানিক মৰ্যাদা দিয়াৰ বাবে এক প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হৈছিল। এইক্ষেত্ৰত চৰকাৰে ষষ্ঠ অনুসূচীৰ কথা উল্লেখ কৰাৰ পৰিৱৰ্তে সাংবিধানিক মৰ্যাদা দিয়াৰ কথাহে উল্লেখ কৰিছিল। এই প্ৰস্তাৱৰ আলম লৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত তিনিওখন স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্যৰ সৈতে পৃথকে পৃথকে বৈঠক অনুষ্ঠিত হয়। এইক্ষেত্ৰত গৃহমন্ত্ৰীয়ে উল্লেখ কৰে যে দেশৰ অন্য প্ৰান্ততো ষষ্ঠ অনুসূচীৰ দাবী উত্থাপন হৈ আছে। গতিকে বিষয়টো সকলো দল-সংগঠনৰ সৈতে আলোচনা কৰিব লাগিব আৰু আলোচনা কৰাৰ বাবে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে অতি সোনকালে মধ্যস্থতাকাৰী নিয়োগ কৰিব। এই মধ্যস্থতাকাৰীয়ে সকলো দল-সংগঠনৰ সৈতে আলোচনা কৰি কেনেধৰণে সাংবিধানিক মৰ্যাদা দিব পৰা যায় অথবা এই সমস্যাটো কি ধৰণে সমাধান কৰিব পাৰি, তাৰ পথ মুকলি কৰিব। মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ইয়াকো উল্লেখ কৰে যে ১৯৯৫ত ৰাজ্যত তিনিখন স্বায়ত্তশাসিত পৰিষদ গঠন হৈছিল। পৰৱৰ্তী সময়ত ২০০৫ত পৰিষদ গঠন হৈছিল আৰু শেহতীয়াকৈ কেইবাখনো পৰিষদ গঠন হৈছে। বৰ্তমান অসম চৰকাৰে যি প্ৰস্তাৱ প্ৰেৰণ কৰিছে, সেয়া মাত্ৰ ৰাভা, মিচিং আৰু তিৱা স্বায়ত্তশাসিত পৰিষদৰ বাবেহে। সেই প্ৰস্তাৱত সাংবিধানিক মৰ্যাদা পৰিষদসমূহক দিয়াৰ বাবে উল্লেখ কৰা হৈছিল। এই পৰিপ্ৰেক্ষিততে গৃহমন্ত্ৰী অমিত শ্বাহে মধ্যস্থতাকাৰীৰ জৰিয়তে বিষয়টোৰ আলোচনা আগুৱাই নিব। এই বৈঠকত ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাযবাহী সদস্য টংকেশ্বৰ ৰাভা, মিচিং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ চায়েঙীয়া আৰু তিৱা স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰৰ লগতে জনগোষ্ঠী তিনিটাৰ ছাত্ৰ আৰু মহিলা সংগঠনসমূহৰ প্ৰতিনিধিও উপস্থিত আছিল।

# বাংলাদেশত পুনৰ গণপ্ৰহাৰত

পৰা দুটা আগ্নেয়াস্ত্ৰ পোৱা গৈছে বুলিও দাবী কৰে আৰক্ষীয়ে। আৰক্ষীয়ে প্ৰকাশ কৰা মতে, দলবদ্ধ হিংসাৰ পৰিস্থিতি উদ্ভৱ হোৱাৰ পূৰ্বে অমৃত মণ্ডলে ধন দাবী কৰা বুলি স্থানীয় বাসিন্দাসকলে দাবী কৰে। আৰক্ষীৰ মতে, অমৃত মণ্ডল আছিল 'সম্ৰাট বাহিনী' নামৰ এটা স্থানীয় গোটৰ নেতা আৰু তেনেদৰেই তেওঁৰ নাম আৰক্ষীৰ নথিত লিপিবদ্ধ আছে। যুৱকজন আছিল হোছাইডাংগা গাঁৱৰ বাসিন্দা অক্ষয় মণ্ডলৰ পুত্ৰ। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে, মণ্ডল আৰু তেওঁৰ সহযোগীসকলে ছাহিদুল ইছলাম নামৰ এজন স্থানীয় বাসিন্দাৰ ঘৰলৈ গৈ সেইদিনা নিশা ধন দাবী কৰিছিল আৰু পৰিয়ালটোৰ লোকসকলে চোৰ চোৰ বুলি চিঞৰ-বাখৰ কৰাত তৎক্ষণাত ওচৰ-চুবুৰীয়াই ঘেৰি ধৰি যুৱকজনক কৰায়ত্ত কৰি মাৰপিট কৰে। ৰাইজৰ মাৰপিটত মণ্ডল ঘটনাস্থলীতে নিহত হয় আৰু তেওঁৰ লগৰীয়াসকলে পলায়ন কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে ঘটনাটো সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে আৰু এই ঘটনাত জড়িত লোকসকলক চিনাক্ত কৰাৰ অভিযান আৰম্ভ কৰিছে। ঘটনাটোৱে অঞ্চলটোত উত্তেজনাৰ সৃষ্টি কৰিছে আৰু ভৱিষ্যতে হ'ব পৰা অস্থিৰতা ৰোধ কৰাৰ বাবে অতিৰিক্ত আৰক্ষী বাহিনী অঞ্চলটোত মোতায়েন কৰা হৈছে। জ্যেষ্ঠ আৰক্ষী অধীক্ষক নিশ্চিত কৰিছে যে মণ্ডলৰ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে ৰাজবাৰী সদৰ হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে। তেওঁ লগতে কয়, এইটো এটা দুঃখজনক জীৱননাশৰ ঘটনা, কিন্তু তদন্তত‌হে ওলাই পৰিব অপৰাধমূলক কাৰ্যকলাপটোৰ ধৰণ-কৰণ।

# লোকশিল্পী ৰত্নেশ্বৰ মৰাণক প্ৰতিমা

সংৰক্ষিত কৰাটো মই বিচাৰোঁ। আমি পৰম্পৰাবোৰ জীয়াই ৰাখিব লাগিব। আজি মোৰ বৰ ভাল লাগিছে। জীয়াই থকা দিনকেইটা সংস্কৃতি উন্নত কৰি ৰাখিবলৈ চেষ্টা কৰিম। আছুৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল ভট্টাচাৰ্যই লোক-সংস্কৃতিৰ পথাৰখন জীপাল কৰি আগুৱাই গ'লেহে আমাৰ জাতীয় জীৱন সমৃদ্ধ হ'ব বুলি কয়। তেওঁ কয় যে লোক-সংস্কৃতিৰ সাধক ৰত্নেশ্বৰ মৰাণক এই বঁটা দিবলৈ পাই আমি গৌৰৱান্বিত। অসমৰ লোক-সংস্কৃতিৰ ভঁৰাল চহকী কৰিবলৈ তেওঁলোকে নীৰৱে সাধনা কৰি আছে। জাতীয় জীৱনক সমৃদ্ধ কৰি লোক-সংস্কৃতিৰ পথাৰখনক অধিক জীপাল কৰাৰ কামনা কৰিছোঁ। পশ্চিমৰ বতাহে আমাৰ জাতীয় জীৱনক জোকাৰি গৈছে। কিন্তু বতাহ আহিলেও শিপা যদি মজবুত কৰি ৰাখিব পাৰোঁ, তেতিয়া জাতীয় জীৱনক শক্তিশালীভাৱে আগুৱাই নিব পাৰিম। অসমৰ লোক-সংস্কৃতিৰ পথাৰখনত বিভিন্ন সাধকে নীৰৱে কাম কৰি আছিছে। সকলোৱে অভিভাৱকত্ব লৈয়েই ছাত্ৰ সন্থাই আগবাঢ়ি যোৱাৰ প্ৰয়াস অব্যাহত ৰাখিছোঁ। ভাষণ প্ৰসংগত ড° ভট্টাচাৰ্যই গোৱালপৰীয়া লোকগীতৰ সম্ৰাজ্ঞী প্ৰতিমা বৰুৱা পাণ্ডেৰ মাটিয়াবাগৰ গৃহ সংৰক্ষণৰ কথা দোহাৰে। তেওঁ কয় যে গৃহটো সংৰক্ষণৰ বাবে চৰকাৰে ব্যৱস্থা লৈছে। ভৱিষ্যতে উক্ত গৃহটো ছাত্ৰ-ছাত্ৰীৰ বাবে গৱেষণাৰ সমল হ'ব লাগে। প্ৰতিমা বাইদেউৰ সৃষ্টি-চিন্তাৰ এটা গবেষণা হোৱাৰ প্ৰয়োজন। সেয়েহে গুৱাহাটী বিশ্ববিদ্যালয়-ডিব্ৰুগড় বিশ্ববিদ্যালয়কে ধৰি সকলো বিশ্ববিদ্যালয়ে একোখনকৈ আসন সংৰক্ষণ কৰিব লাগে। তদুপৰি লোক-সংস্কৃতিৰ সাধকসকলৰ অৰ্থনৈতিক অৱস্থা সচ্ছল কৰিবলৈ ব্যৱস্থা লোৱাৰ বাবেও তেওঁ চৰকাৰক দাবী জনাইছে। সভাত অংশ লৈ আছুৰ সভাপতি উৎপল শৰ্মাই কয় যে ৰত্নেশ্বৰ মৰাণে ৫০ বছৰতকৈ অধিক কাল নীৰৱে মৰাণ লোক-সংস্কৃতিৰ চৰ্চা অব্যাহত ৰাখিছে। মৰাণ জনগোষ্ঠীৰ হেৰাই যাব ধৰা বহু সম্পদ তেওঁ সংৰক্ষণ কৰিছে। বঁটাটোৱে তেওঁক লোক-সংস্কৃতিৰ সাধনাত আগুৱাই যাবলৈ উৎসাহিত কৰিব। অনুষ্ঠানটোত শিল্পী চন্দ্ৰশ্ৰী চক্ৰৱৰ্তীয়ে গোৱালপৰীয়া লোকগীত পৰিৱেশন কৰাৰ লগতে শিল্পী ৰত্নেশ্বৰ মৰাণৰ পত্নী ভুতুকী মৰাণ, শ্যামন্তী মৰাণ আৰু অনুপ মৰাণ উপস্থিত থাকে।

# পূৰ্বে অসমলৈ অবৈধ বিদেশী

অধিকাৰ, আমাৰ মানুহৰ অধিকাৰ অনুপ্ৰৱেশকাৰীয়ে কাঢ়ি নিছিল। কিন্তু এইবোৰ দেখিও নীৰৱ ভূমিকা লৈছিল সেই সময়ৰ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে। কিন্তু ৰাইজে বিজেপিৰ ওপৰত ভৰসা কৰিলে। এই ভৰসাৰ ফলশ্ৰুতিতেই আজি অবৈধ অনুপ্ৰৱেশকাৰীক ৰোধ কৰিবলৈ সক্ষম হৈছে এই চৰকাৰখনে। বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে অসমৰ ৰাইজৰ বিশ্বাস আৰু আশীৰ্বাদ ল'বলৈ সক্ষম হৈছে। উল্লেখ্য যে কাৰ্যনিৰ্বাহক বৈঠকত অংশগ্ৰহণৰ বাবে আজি বৰঝাৰ বিমানবন্দৰত অৱতৰণ কৰাৰ পিছতেই ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতিগৰাকীক উষ্ম আদৰণি জনালে ৰাজ্যিক বিজেপিয়ে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, ৰাষ্ট্ৰীয় উপ-সভাপতি বৈজয়ন্ত জয় পাণ্ডাকে ধৰি কেইবাজনো শীৰ্ষ নেতাই ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতিজনক আদৰণি জনায়। প্ৰায় ২০ সহস্ৰাধিক কাৰ্যকৰ্তাই লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমানবন্দৰৰ পৰা শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰলৈ এক বিশাল শোভাযাত্ৰাৰে নীতিন নবীনক আদৰি আনে। উল্লেখ্য যে বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ অংশস্বৰূপে দুদিনীয়া কাৰ্যসূচীৰে কলাক্ষেত্ৰত অনুষ্ঠিত ৰাজ্যিক বিজেপিৰ কাৰ্যনিৰ্বাহক বৈঠকত বিশেষভাৱে উপস্থিত থাকি নীতিন নবীনে নিৰ্বাচনলৈ দলৰ সকলো বিষয়ববীয়া তথা কাৰ্যকৰ্তাক সাজু হ'বলৈ আহ্বান জনাই প্ৰতিগৰাকী ভোটাৰৰ ওচৰলৈ যাবলৈ আহ্বান জনায়। বিজেপিয়ে ৰাজ্যখনৰ সকলো জাতি-জনগোষ্ঠীৰ ওচৰত থিয় হ'বলৈ সক্ষম হৈছে বুলি দাবী কৰি ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতিগৰাকীয়ে এই নিৰ্বাচনৰ জৰিয়তে পুনৰবাৰ বিজেপিৰ নেতৃত্বত এনডিএ চৰকাৰ গঠন হোৱাটো নিশ্চিত বুলি উল্লেখ কৰে। অসমৰ সৈতে পুৰণি সম্পৰ্ক থকাৰ কথা উল্লেখ কৰি নীতিন নবীনে কয়-২০০৯ চনৰ পৰা যুৱ মৰ্চাৰ সাংগঠনিক কাম-কাজৰ জৰিয়তে অসমৰ সৈতে এক নিবিড় সম্পৰ্ক গঢ়ি তুলিছিলোঁ মই। সেই সময়ৰ ৰাজনৈতিক পৰিস্থিতি আৰু আজিৰ ৰাজনৈতিক পৰিস্থিতিৰ ব্যাপক সলনি হৈছে। ২০১৬ চনৰ পৰা বৰ্তমানলৈকে অসমত বিজেপি চৰকাৰে বিকাশৰ ক্ষেত্ৰত আমূল পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছে। কাৰ্যনিৰ্বাহক বৈঠকৰ উদ্বোধনী অনুষ্ঠানৰ পূৰ্বেই ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতিগৰাকীক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ৰাজ্যিক সভাপতি দিলীপ শইকীয়া আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে বিশেষভাৱে আদৰণি জনায়।

# কাৰ্বিভূমিক লৈ মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত

খণ্ড আদালতত বিচাৰাধীন হৈ থকা বিষয়টোৰ ক্ষেত্ৰত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদে অহা ৫ জানুৱাৰীৰ ভিতৰত শপতনামা দাখিল কৰিব। সমান্তৰালভাৱে কাৰ্বি নাগৰিক সমাজেও গোচৰটোৰ ক্ষেত্ৰত এটা পক্ষ হিচাপে নিজৰ বক্তব্য উপস্থাপন কৰিব। বিষয়টোৰ গুৰুত্বলৈ লক্ষ্য ৰাখি ইয়াৰ খৰতকীয়া শুনানি আৰু ৰায়দানৰ বাবে ৰাজ্য চৰকাৰেও আদালতক অনুৰোধ জনাব, যাতে আদালতৰ ৰায়দান অনুসৰি চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে খেৰণিৰ ভিজি আৰ-পিজিআৰ এলেকাত থকা চৰকাৰী কাৰ্যালয়সমূহো অতি সোনকালে অন্য স্থানলৈ স্থানান্তৰিত কৰা হ'ব। খেৰণিত থকা ৮ হাজাৰ বিঘা ভিজিআৰ-পিজিআৰ ভূমি কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদে অনতিপলমে বেৰা দিয়াৰ ব্যৱস্থা কৰাৰ লগতে এই ভূমিত বনানীকৰণৰ ব্যৱস্থা কৰিব, যাতে ভৱিষ্যতে কোনেও এই ভূমি দখল কৰিব নোৱাৰে। খেৰণিত সংঘটিত শেহতীয়া ঘটনাত আৰক্ষীৰ গুলীচালনাত প্ৰাণ হেৰুওৱা ব্যক্তিগৰাকীৰ নিকটাত্মীয়ক কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদে এটা চাকৰি প্ৰদান কৰাৰ লগতে ৰাজ্য চৰকাৰে অতিৰিক্তভাৱে ১০ লাখ টকাৰ ক্ষতিপূৰণ প্ৰদান কৰিব বুলিও মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়। ভিজিআৰ-পিজিআৰ ভূমিত থকা সকলো ব্যৱসায়িক প্ৰতিষ্ঠানৰ অনুজ্ঞা-পত্ৰসমূহ কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদে তৎকালে বাতিল কৰিব বুলিও মুখ্যমন্ত্ৰী ড° শৰ্মাই সদৰী কৰে। কাৰ্বি আংলং জিলাৰ যিসমূহ চৰকাৰী কাৰ্যালয়ৰ ভূমি বিভিন্ন লোকে বেদখল কৰি বসবাস কৰি আছিছে, সেই সকলো ভূমি কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদে বেদখলমুক্ত কৰিব বুলিও তেওঁ জানিবলৈ দিয়ে। ভোগালী বিহুৰ পিছতে এই সন্দৰ্ভত পৰৱৰ্তী বৈঠকৰ আয়োজন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে সংবাদ মাধ্যমক অৱগত কৰে। অহা ১৭ জানুৱাৰীত এই বিষয় লৈ পুনৰ বৈঠক অনুষ্ঠিত হ'ব বুলিও সদৰী কৰে মুখ্যমন্ত্ৰী ড° শৰ্মাই। তেওঁ লগতে কয় যে কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ কেইবাখনো আইন সম্প্ৰতি ৰাজ্য চৰকাৰৰ বিচাৰাধীন হৈ আছে। এই আইনসমূহকো ৰাজ্য চৰকাৰে অনতিপলমে অনুমোদন দিয়াৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব বুলি তেওঁ জানিবলৈ দিয়ে। এই বৈঠকত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙকে ধৰি পৰিষদৰ অন্যান্য বিষয় ববীয়াসকল, কাৰ্বি ছাত্ৰ সন্থাৰ নেতৃত্বকে ধৰি কাৰ্বি সমাজক প্ৰতিনিধিত্ব কৰা বিভিন্ন জাতীয় সংগঠনৰ নেতৃবৃন্দ আৰু মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব ড° কে কে দ্বিবেদী প্ৰমুখ্যে ৰাজ্য চৰকাৰ আৰু কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

# কামৰূপ মহানগৰৰ ৫

মেল সম্বোধন কৰি সংশ্লিষ্ট ভোটাৰ তালিকাৰ সবিশেষ তথ্য সদৰী কৰে। আয়ুক্ত সাত্তাৰানে সদৰী কৰা অনুসৰি, প্ৰকাশিত খচৰা ভোটাৰ তালিকাত ৩৩নং দিছপুৰ বিধানসভা সমষ্টিত এইবাৰ পুৰুষ ভোটাৰৰ সংখ্যা ১, ২১, ১৮০জন, মহিলা ভোটাৰৰ সংখ্যা ১, ২৮, ৫৫২গৰাকী আৰু তৃতীয় লিংগৰ ভোটাৰৰ সংখ্যা ১৪; সৰ্বমুঠ ভোটাৰৰ সংখ্যা ২, ৪৯, ৭৮৬গৰাকী। একেদৰে এইবাৰ দিছপুৰ বিধানসভা সমষ্টিত ভোটগ্ৰহণ কেন্দ্ৰ পূৰ্বৰ তুলনাত ২৩টা বৃদ্ধি কৰি মুঠ ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা ২৭২লৈ বৃদ্ধি কৰা হৈছে। ইপিনে, নতুনকৈ প্ৰকাশিত খচৰা ভোটাৰ তালিকা অনুসৰি ৩৪নং ডিমৰীয়া বিধানসভা সমষ্টিত পুৰুষ ভোটাৰৰ সংখ্যা ১, ০৭, ৫২৬জন, মহিলা ভোটাৰৰ সংখ্যা ১, ১৩, ৫৬৭ গৰাকী আৰু তৃতীয় লিংগৰ ভোটাৰৰ সংখ্যা ৬। ডিমৰীয়া সমষ্টিত মুঠ ২, ২১, ০৯৯গৰাকী ভোটাৰ আছে। ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা পূৰ্বৰ ২৪০টাৰ পৰা ২৬২লৈ বৃদ্ধি কৰা হৈছে। একেদৰে প্ৰকাশিত খচৰা ভোটাৰ তালিকা অনুসৰি, এইবাৰ ৩৫নং নিউ গুৱাহাটী বিধানসভা সমষ্টিত পুৰুষ ভোটাৰৰ সংখ্যা হৈছে ৯৪, ৩৯০জন, মহিলা ভোটাৰৰ সংখ্যা ১, ০১, ৬২১ গৰাকী আৰু তৃতীয় লিংগৰ ভোটাৰৰ সংখ্যা হৈছে ৫। নিউ গুৱাহাটী সমষ্টিত এইবাৰ মুঠ ভোটাৰৰ সংখ্যা হৈছে ১, ৯৬, ০১৫ গৰাকী। সমষ্টিটোত এইবাৰ ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা ২০১১ পৰা ২১৯লৈ বৃদ্ধি কৰা হৈছে। আনহাতে, ৩৬নং গুৱাহাটী চেণ্ট্ৰেল সমষ্টিত মুঠ ভোটাৰৰ সংখ্যা হৈছে ১, ৯৮, ০৯১ গৰাকী। ইয়াৰ ৯৭, ৮৮৫জন পুৰুষ, ১, ০০, ২০২গৰাকী মহিলা ভোটাৰৰ লগতে ৪ গৰাকী তৃতীয় লিংগৰ ভোটাৰ আছে। গুৱাহাটী চেণ্ট্ৰেল সমষ্টিত ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা ২০১১ পৰা ২১৮লৈ বৃদ্ধি কৰা হৈছে। ইপিনে প্ৰকাশিত খচৰা ভোটাৰ তালিকা অনুসৰি এইবাৰ ৩৭নং জালুকবাৰী বিধানসভা সমষ্টিত মুঠ ভোটাৰৰ সংখ্যা হৈছে ২, ১০, ৬২৪ গৰাকী। ইয়াৰ ১, ০০, ৪০৭জন পুৰুষ, ১, ১০, ২০৯ গৰাকী মহিলা আৰু ৮গৰাকী তৃতীয় লিংগৰ ভোটাৰ। এইবাৰ জালুকবাৰী সমষ্টিত ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা পূৰ্বৰ ২২২ৰ ঠাইত ২৪৭লৈ বৃদ্ধি কৰা হৈছে। আয়ুক্ত সুমিত সাত্তাৰানে সদৰী কৰা অনুসৰি, খচৰা ভোটাৰ তালিকাত দিছপুৰ সমষ্টিত 'ডি' ভোটাৰৰ সংখ্যা ৩৫২, ডিমৰীয়া সমষ্টিত ১, ৭৬৫, নিউ গুৱাহাটীত ৮০, গুৱাহাটী চেণ্ট্ৰেলত ১, ১৭২গৰাকী আৰু জালুকবাৰী সমষ্টিত ৪৫৩গৰাকী। খচৰা ভোটাৰ তালিকা সন্দৰ্ভত দাবী-আপত্তি থকাসকলে ২৭ ডিচেম্বৰৰ পৰা ২২ জানুৱাৰীলৈ দাবী-আপত্তি দৰ্শাব পাৰিব। বিশেষকৈ এই সন্দৰ্ভত সংশ্লিষ্ট সম-জিলা আয়ুক্ত কাৰ্যালয় আৰু ভোটগ্ৰহণ কেন্দ্ৰসমূহত অহা ৩, ৪, ১০ আৰু ৰ জানুৱাৰীত বিশেষ শিবিৰ অনুষ্ঠিত হ'ব। খচৰা ভোটাৰ তালিকাৰ দাবী-আপত্তিৰ শেষ দিন ২ ফেব্ৰুৱাৰী আৰু চূড়ান্ত ফটোযুক্ত ভোটাৰ তালিকা ১০ ফেব্ৰুৱাৰীত প্ৰকাশ কৰা হ'ব। দাবী-আপত্তি থকাসকলে অনলাইনযোগে ভোটাৰ হেল্পলাইন এপৰ সহায়ত দাবী-আপত্তি দৰ্শাব পাৰিব আৰু সবিশেষ তথ্য সন্দৰ্ভত voters.eci.gov.inত লগ অন কৰিব পাৰিব বুলি আয়ুক্ত সুমিত সাত্তাৰানে জানিবলৈ দিয়ে।

# যোৰহাটৰ আইশী প্ৰিশা

উদ্ভাৱনৰ বাবে কৰি অহা তেওঁৰ ধাৰাবাহিক অভিযানৰ বাবে তেওঁ বিজ্ঞান তথা প্ৰযুক্তিৰ উৎকৃষ্টতাৰ স্বীকৃতি স্বৰূপে প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় শিশু পুৰস্কাৰ লাভ কৰিছে। ইফালে, অতি কম বয়সতে হৃদয়স্পৰ্শী দেশপ্ৰেমমূলক গীত পৰিৱেশনেৰে সমগ্ৰ দেশৰ শ্ৰোতা-দৰ্শকক মোহিত কৰিছে এষ্টাৰ লালদুহমী নামটেই। ইউটিউবত তেওঁৰ অভিনয়ে ২০ নিযুতকৈও অধিক ভিউজ লাভ কৰাৰ লগতে তেওঁৰ ১১.৩ লাখতকৈ অধিক ছাবস্ক্ৰাইবাৰ আছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও তেওঁক প্ৰশংসা কৰাৰ লগতে তেওঁ ২০২৪ চনৰ ডিচেম্বৰ মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উপস্থিত থকা দিল্লীত অনুষ্ঠিত অষ্টলক্ষ্মী মহোৎসৱৰ মুকলি অনুষ্ঠানত অনুষ্ঠান পৰিৱেশন কৰাৰ গৌৰৱ লাভ কৰিছিল। এক সাংস্কৃতিক পটভূমিৰ পৰা অহা এষ্টাৰৰ এই যাত্ৰা প্ৰতিভা, অধ্যৱসায় আৰু আৱেগৰ এক প্ৰেৰণাদায়ক উদাহৰণ হিচাপে পৰিগণিত হৈছে। কণমানি কন্যা শিশুটিয়ে কলা আৰু সংস্কৃতিৰ ক্ষেত্ৰত প্ৰদৰ্শন কৰা উৎকৃষ্টতাৰ বাবে প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় শিশু পুৰস্কাৰ লাভ কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আইশী প্ৰিশা বৰাক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে, আইশীয়ে প্ৰাকৃতিক কৃষি আৰু আৱৰ্জনাক সম্পদলৈ ৰূপান্তৰিত কৰা আদি প্ৰকল্প ৰূপায়ণ কৰিছে। নিচেই কম বয়সৰ পৰাই বহনক্ষম পদ্ধতিৰ প্ৰসাৰৰ বাবে তেওঁৰ অহৰহ প্ৰচেষ্টা সঁচাকৈয়ে প্ৰশংসনীয় আৰু ই আমাৰ যুৱক-যুৱতীসকলক দৈনন্দিনভাৱে বহনক্ষম পদ্ধতি গ্ৰহণ কৰিবলৈ উৎসাহিত কৰিব। উল্লেখ্য যে ১৮খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ২০ গৰাকী শিশুক প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় শিশু পুৰস্কাৰ প্ৰদান কৰে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে। অনুষ্ঠানত উপস্থিতি থাকে কেন্দ্ৰীয় মহিলা আৰু শিশু উন্নয়ন দপ্তৰৰ মন্ত্ৰী অন্নপূৰ্ণা দেৱী আৰু কেন্দ্ৰীয় মহিলা তথা শিশু উন্নয়ন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী সাবিত্ৰী ঠাকুৰ।

ENGLISH NEWS SECTION

# Governor attends Samriddha Assam: Skills and Transformation Conclave 2025



Guwahati,RB News: Assam Governor Shri Lakshman Prasad Acharya attended the Samriddha Assam: Skills and Transformation Conclave 2025, organised by Jankalyan Trust. Speaking on the occasion, Governor Shri Acharya underscored that skill development lies at the core of economic prosperity and social transformation. He stated that skills being a pathway to employment is also the foundation of self-reliance, self-respect, and self-confidence. A skilled youth emerges as a committed partner in nation-building. Appreciating the efforts of Jankalyan Trust, the Governor said that the organisation is playing a commendable role in empowering rural youth through skill-based, technical, vocational, and entrepreneurship oriented training, thereby strengthening Assam's socio-economic landscape. Highlighting the rich natural and cultural endowments of the state, the Governor said that Assam is blessed with the abundant natural resources, biodiversity, fertile land etc. He added that Assam has earned national and international recognition in the fields of culture, literature, sports, and education.

## Harmanpreet records most WT20I wins as captain



RB News: India batter Harmanpreet Kaur became the most successful WT20I captain (by wins) after an eight-wicket victory over Sri Lanka in the third WT20I in Thiruvananthapuram on Friday. Harmanpreet now has 77 wins in 130 WT20Is as captain, going past Australia's Meg Lanning, who won 76 of her 100 matches as the captain. 130 matches as a captain is also the most by any cricketer in women's T20I. England's Heather Knight (71 wins in 96 matches) and Charlotte Edwards (68 wins in 93 matches) follow Harmanpreet and Lanning in the list of most wins as a captain.

## Dhruv Shorey equals world record for hitting most consecutive List A hundreds



RB News: Vidarbha's Dhruv Shorey has equalled N Jagadeesan's world record for smashing most consecutive hundreds in List A cricket. Shorey slammed an unbeaten 109 off 77 balls against Hyderabad in their Vijay Hazare Trophy 2025-26 match in Rajkot on Friday to equal the record. Walking in at No. 3, Shorey capitalised on the solid 148-run opening partnership between Aman Mokhade and Yash Rathod, hammering nine boundaries and six sixes to power Vidarbha to 365/5 after being asked to bat. Shorey's run of five hundreds dates back to the knockouts of the 2024–25 Vijay Hazare Trophy, where he struck centuries in the quarter-final, semi-final and final.

## England defeated Australia by four wickets



RB News: England defeated Australia by four wickets in the fourth Ashes 2025-26 Test at the Melbourne Cricket Ground (MCG) to register their first victory in the ongoing series. England have registered a Test victory on Australian soil after nearly 15 years. England chased down 175 runs to complete the victory late on day two and now trail Australia 3-1 in the five-test series.

## ISL likely to begin on Feb 5



RB News: The ISL 2025-26 could reportedly begin on February 5 after talks between the AIFF and the clubs. According to the plan proposed by the AIFF, the tournament will be "owned and operated" by the federation for the next 20 seasons, Sportstar reported. The AIFF will take 10% of the revenue share, while 50% will be equally distributed to all clubs, while 30 per cent will be reserved for a potential commercial partner. Under the proposed structure, the ISL's inaugural season will operate on a budget of 70 crore, with each club required to pay a standard annual participation fee of 1 crore to the Federation.

## Vaibhav Suryavanshi honoured with Pradhan Mantri Rashtriya Bal Puraskar



RB News: Fourteen-year-old batting prodigy Vaibhav Sooryavanshi was on Friday conferred with Pradhan Mantri Rashtriya Bal Puraskar, which is India's highest civilian honour for children. The 14-year-old received the award from President Droupadi Murmu in Delhi. Sooryavanshi recently became the youngest cricketer to hit a hundred in men's List A cricket history.Following the formal ceremony, Vaibhav and his fellow awardees had the distinct honour of meeting Prime Minister Narendra Modi, an interaction aimed at inspiring the next generation of Indian leaders and achievers.

## Deepti Sharma becomes first cricketer to take 150 T20I wickets



RB News: Indian all-rounder Deepti Sharma etched her name in the record books during the third T20I against Sri Lanka on Friday.With a spell of 3 for 18, she surpassed Australian Ellyse Perry to become the third-highest wicket-taker in women's international cricket, claiming 333 wickets overall. In T20Is, Deepti became the first Indian, across men's and women's cricket, to reach 150 wickets, equalling Australia's Megan Schutt with 151 scalps.She also became the first cricketer to record 1,000 runs and 150 wickets in T20Is, scoring 1,100 runs at an average of 23.40. In ODIs, Deepti has 162 wickets, making her country's second-highest after Jhulan Goswami.

# ইংৰাজী নৱবৰ্ষ মানেই যেন

এটি বছৰ শেষ হ'ল আকৌ এটি বছৰৰ আৰম্ভনি হ'ব। যোৱাটো বছৰৰ যিবোৰ কাম আধৰুৱা হৈ ৰ'ল সকলোৱে এইবছৰত শেষ কৰাৰ পৰিকল্পনা। কাৰোবাৰ বাবে যোৱা বছৰটো সুখৰ আৰু কাৰোবাৰ বাবে বৰ দুখৰ থাকিলেও নতুন বছৰটোত শীতৰ আমেজ লৈ পৰিয়ালৰ লগতে বন্ধু বান্ধৱী, লগ সমনীয়া লগে ভাগে মিলি পিকনিকৰ পৰিকল্পনা কৰি এসাঁজ খোৱাটো পৰম্পৰা হৈ পৰিল । এই সময় খিনি অতি আনন্দৰ সময় হাঁহি ফূৰ্তি নাচ গানেৰে এই সময় খিনি উপভোগ কৰা হয় কণ কণ শিশু সকলেও বহু দিনৰ মূৰত মুকলি মুৰীয়া কৈ খেলিব পায় প্ৰফুল্লিত হয় । এই সময় লগ সমনীয়া লগত একেলগে হেঁপাহ পলুৱাই ফূৰ্তি কৰা সময়।

এইবোৰ যিয়েই নহওক দিন বোৰ গৈ থাকিব। কিন্তু নতুন বছৰ টো আদৰাৰ নামত যেন আমি আমাৰ কৰ্তব্য বোৰ পাহৰি নাযাও তাৰ প্ৰতি গুৰুত্ব দিয়া প্ৰয়োজন। প্ৰকৃতি বিনষ্ট নকৰাকৈ পিকনিকৰ পেলনীয়া সামগ্ৰি খিনিৰ প্ৰতিও লক্ষ্য কৰি সেইবোৰ যথাস্থানত পেলাই ঠাইখিনি পৰিস্কাৰ কৰি অহাটো অতি দৰকাৰি কথা।

পৰিৱেশ হৈছে আমাৰ চাৰিও ফালৰ বায়ু পানী বতাহ আৰু গছ গছনিৰে গঢ়া সুন্দৰ সম্পৰ্ক বোৰ। বৰ্তমান সময়ত পৰিৱেশৰ ওপৰত গুৰুত্ব আৰোপ কৰি সন্তান সকলকো আমি শুদ্ধ জ্ঞান দি লালন পালন কৰা দেখা যায়। এখন ঘৰত সুস্থিৰ শুদ্ধ আৰু নিয়মানুবৰ্তীতা বজাই ৰাখি এটি বিশুদ্ধ পৰিৱেশ সৃষ্টি কৰি যিদৰে ল'ব পাৰি। সেইদৰে সামাজিক ভাবেও কিছুমান শুদ্ধবাৰ্তা বৰণেৰে সুন্দৰ পৰিৱেশ সৃষ্টি কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। গতিকে নতুন বছৰটো শীতৰ ইমেজ লৈ প্ৰকৃতিৰ মাজত এসাজ খাওঁতে প্ৰকৃতিৰ ওপৰত যেন একো বেয়া প্ৰভাব নপৰে তাৰ প্ৰতি লক্ষ্য ৰখাটো অতি প্ৰয়োজনীয় ।

বৰ্তমান সময়ত বছৰটো আদৰাৰ নামত যুৱছাত্ৰ ছাত্ৰী সকলৰ মাজত উশৃঙ্খল পৰিৱেশ এটাই বিৰাজ কৰা পৰিলক্ষিত হৈছে । যুৱ ডেকা ল'ৰা-ছোৱালীয়ে মাদক দ্ৰব্য সেৱন কৰাৰ বাবে হায় কাজিয়াকে ধৰি দুৰ্ঘটনাত পতিত হৈ মৃত্যু মুখত পৰাও পৰিলক্ষিত হয় গতিকে সেই অপশক্তি সমূহৰ প্ৰতিও চকু ৰখাটো বৰ্তমান সমাজ ব্যৱস্থাত প্ৰয়োজনীয় ভুমিকা গ্ৰহণ কৰে।




ৰঙিলী বাৰ্ত্তা কৰ্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286